-মাতৃ-পূজাৰ অৰ্ঘ্য—৭ম পুথি

ধূপ ধুনা

HALL & LIBRARY
JUL 1959

শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা
শ্ৰীপ্ৰণীতা দেৱী

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

প্রকাশক :
শ্রীবিচিত্রনাৰায়ণ দত্ত বৰুৱা, বি-এল
লয়াৰ্চ্ছ বুক ষ্টল
গুৱাহাটী, অসম

প্রথম প্রকাশ :
এপ্রিল : ১৯৫৯

মূল্য—১৷৷০ টকা

মুদ্রক :
শ্রীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্রে ষ্ট্রীট, কলিকতা-৬

THE NABIN ... HALL & LIBRARY
16 JUL 1959
GAUHATI

নিবেদন

বিভিন্ন সময়ত মনত খেলোৱা কেইটিমান ভাবক ৰূপাঙ্কিত কৰি পূজাৰ উপচাৰ স্বৰূপে আগ বঢ়োৱা হ'ল। পূজাৰ উদ্দেশ্যে সচা ধূপ-ধূনা সামান্য দ্ৰব্য হ'লেও ভক্তিৰ আজলিয়েই মাথোন ভক্তৰ অৱদান। নৈবেদ্য নিঃকিন হ'লেও প্ৰাণৰ গভীৰতাকেই কেৱল দেৱতাই গ্ৰহণ কৰে। এনে অনুপ্ৰেৰণাতে লিখক-লিখিকা যুগলৰ নিবেদন।

ছিলং
১৯৫৯

সূচী

আৱাহন

(শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা)

বিষয়			পৃষ্ঠা
১।	পোহৰৰ আগষ্ট		১
২।	"দেউতা গাথীৰ খাবি"		৮
৩।	সদিয়াৰ মঠ-মন্দিৰ		১১
৪।	ৰঙা জবী		১৯
৫।	মাতৃত্বৰ হেঁপাহ		২৮

আৰতি

(শ্ৰীপ্ৰণীতা দেৱী)

১।	মৰম ! তোমালৈ জিন্দাবাদ ...	৪৩
২।	স্মৃতি—তুমি চিৰ সুন্দৰ ...	৪৯
৩।	সঙ্গীত—তুমি কোন জগতৰ ? ...	৫৪
৪।	প্ৰণমো তোমাক হে বিবেক ...	৬০
৫।	মহাকালৰ আমন্ত্ৰণ	৬৫

THE NABIN BARUAH HALL & LIBR.
16 JUL 1959
GAUHATI

আৱাহন

Please handle the book carefully

THE NABIN BARDOLAI HALL & LIBRARY
16 JUL 1959
GAUHATI

পোন্ধৰ আগষ্ট

মিছিমি পৰ্ব্বতৰ গৰ্ভত থেৰলিয়াং এখন সৰু মিছিমি গাওঁ। আকাশলঙ্ঘা পৰ্ব্বতৰ ভৰি ধুৱাই তাৰ কাষেদি পৰ্ব্বতীয়া জীয়ৰী টিডিং নৈ বৈ গৈছে। টিডিঙৰ পাৰত শুৱনি ডাক-বঙ্গলাটো। বৃটিছ শাসকে এই বঙ্গলা আৰু টিডিং নৈৰ ওপৰত ওলমি থকা ২২০ ফুট বহল দলংখন সাজিছিল। থেৰলিয়াঙৰ ওপৰৰ অঞ্চলত স্থায়ীকৈ সজা আৰু বঙ্গলা নাই। গতিকে উজনি আৰু নামনিলৈ যোৱা ভ্ৰমণকাৰী সকলে থেৰলিয়াঙৰ এই বঙ্গলাটো বিশেষ আদৰৰ চকুৰে চায়। ১৫ আগষ্টৰ ভূমিকম্পত থেৰলিয়াঙৰ কি পৰিবৰ্ত্তন ঘটিল এই সংক্ষিপ্ত আখ্যানত তাকে বৰ্ণনা কৰা হৈছে। ভূমিকম্পৰ দিনা থেৰলিয়াঙত বাস কৰা এজন সৈনিকৰ মুখৰ পৰা এই বিবৰণ সংগ্ৰহ কৰা হৈছিল।

১৫ আগষ্টৰ দিনা গধূলি। মই মহৰী শ্ৰীদীপ্তি গগৈৰ সৈতে মোৰ ঘৰত বহি আছিলো। মোৰ লগৰ সৈনিক এজনৰ গাঁওঠি নামিছিল। সি পাটিত শুই আছিল। কম্পনৰ লগে লগে হল-ঘৰটোৰ মজিয়া ফাটি গ'ল। গগৈ বহি থকা চকীখন তললৈ সোমাই গ'ল। বেমাৰী সৈনিকজন পাটিৰ পৰা মাটিত পৰিল; লণ্ঠনটোও মাটিত পৰি গ'ল। তেতিয়া মই বেমাৰীটোক লগত

Please handle the book carefully.

লৈ বাহিৰলৈ ওলালো আৰু বঙ্গলাৰ ওচৰলৈ গ'লো। তেতিয়া লান্সনায়কে আমাক চিঞৰি মাতিলে। দোকানৰ মাৰোৱাৰী দুজনে 'ৰাম ৰাম' কৰি ঈশ্বৰৰ নাম লৈছিল। গগৈ ওলাই আহিল। আমি তেতিয়া সকলোটি একে লগ হলো। মই, দুজন সৈনিক, গগৈ, দুজন মাৰোৱাৰী, লান্সনায়ক আৰু তেওঁৰ দুজন চিপাহী আৰু তিনি চাৰিজন মিছিমি লগ লাগি ওচৰৰ পৰ্ব্বতলৈ লক্ষ্য কৰি থাকিলো। তাতে সকলোটিয়ে 'ৰঘুপতি ৰাঘৱ'গালো। মৰিবৰ সময়ত আমি ভজন গাই ল'লো। তাৰ পাছত আমি মিছিমি নামঘৰৰ ওপৰত থকা সমান ঠাই পালোগৈ। তালৈ গৈ আকৌ ভজন গালো আৰু ভগবানৰ চিন্তা কৰিলো। ৰাতি ১১ বজাত আমি সকলো নামি আহি বঙ্গলাত শুলোহি। মোৰ ভাত চকুৰ পৰা পৰি গৈছিল। ফিকা চাহকে অলপ খালো। আমি শুবলৈ যত্ন কৰিলো। প্ৰত্যেক দুই-তিনি মিনিটৰ অন্তৰত কম্পন হৈ আছিল। ধুম্ ধুম্ কৰি কামানৰ দৰে শব্দ হয়, লগে লগে পৃথিবী কঁপিবলৈ ধৰে। পৰ্ব্বতখনৰ গুৰুম্ গুৰুম্ শব্দ আমাৰ কাণলৈ আহিছিল। এবাৰ ডাঙৰ ৰৰটোপৰ নিচিনা শব্দ শুনা গৈছিল। পৰ্ব্বতীয়া টিডিং নদীৰ পানীৰ বিৰাট কোঢ়ালো তল পৰিল। ৰাতি অলপ বৰষুণো হৈছিল।

গোটেই ৰাতি উজাগৰে কটালো। পিচদিনা ৰাতিপুৱা আঠ বজালৈকে কুঁৱলিয়ে ঢাকি থৈছিল। কুঁৱলি পাতলিলত টিডিং নৈলৈ গৈ দেখিলো পানী অচল আৰু অলৰ। টিডিংৰ

পানীৰ ওপৰত চিন দি থলো। অলপ পিচতে সেই চিন পানীত ডুবি গ'ল। তেতিয়া বুজিলো পানী উঠিবলৈ ধৰিছে। লৰা-লৰিকৈ ভাত খাই মিছিমি নামঘৰলৈ গ'লো। মই, গগৈ, মাৰোৱাৰী দুজন আৰু সকলোটি তাতে গোট হৈ যাবৰ দিহা কৰিলো। লান্সনায়ক আৰু চিপাহী দুজন এল্-ভি বোডৰ ৬৮।৪ ফার্লঙলৈ গ'লগৈ। দ্বিতীয় দিনা ৰাতিও কম্পন হৈ আছিল। টিডিং নদীৰ পানী উঠি আহি বঙ্গলাৰ তল পালেহি। ১৭ আগষ্টৰ পানী উঠা দেখি কেম্পৰ, দোকানৰ মালবস্তু আৰু ৰেছন আদি মিছিমি নামঘৰলৈ আঁতৰালো। সেই দিনা আবেলি চাৰি বজাত পানী উঠি বঙ্গলাৰ মূধ পালেগৈ। আনকি কুকুৰা চৰাইও পানীৰ ওপৰত উবি ফুৰিছিল। গৰু-ছাগলী খেদাই আনি ওপৰলৈ তুলিলো। সেই দিনা গধুলি বঙ্গলাটো পানীৰ তলত ডুবি গ'ল। আবেলি সময়ত যিমান পাৰো মাল-বস্তু ৬৮।৪ কেম্পলৈ পঠিয়ালো। মিছিমি মানুহে মাল কঢ়িয়াই দিছিল। বহুতো মাল নামঘৰত থাকি গ'ল। আমি ৰাতি ৬৮।৪ মাইলৰ কেম্প পালোগৈ। এখন ত্রিপালেৰে কেম্প সজা হ'ল। ওচৰতে পানী আছিল। তেতিয়াও ভূ-কম্পন আৰু পর্ব্বত খহাৰ শব্দ অবিৰাম চলি আছিল। ৰাতিটো তাত কটাই পিচদিনা নামঘৰলৈ মালবস্তু নিবলৈ আহিলো। তেতিয়া নামঘৰত একাঠুলৈকে পানী উঠিছিল। যিমান পাৰো আমি মিছিমিৰ হতুৱাই মালবস্তু নিয়ালো। মাৰোৱাৰীৰ বহুত মাল পৰিয়েই ৰ'ল। খাবৰ কাৰণে কেৱল আমি অলপ বয়-বস্তু ল'ৰ

Please handle the book carefully

পাৰিলো। মাৰোৱাৰীৰ, অসম ৰাইফলৰ আৰু আমাৰ বেছনৰ বহুত বোজা পানীতে পৰি থাকিল। আবেলি পৰত এবুকুৱা পানী ভাঙি মই আৰু লান্সনায়ক নামঘৰ বুলি আহিলো। মোৰ কুকুৰা চৰাই এটা মাৰোৱাৰীৰ মালৰ দ'ম এটাৰ ওপৰত তেতিয়াও বহি আছিল। লান্সনায়কে চাউল এবস্তাৰে সৈতে তাকো ধৰি খাণ্ডত সুমুৱাই ললে। এইখিনি উলিয়াই ওখ ঠাইত থৈ আকৌ উভতিলো—কেৰাচিন তেল আৰু খালি টিন কেইট' নিয়াৰ কাৰণে। খালি টিনবিলাক পানীত উটি গৈছিল। গগৈয়ে কাপোৰ সলাই গামোছা পিন্ধি সাঁতুৰি গৈ খালি টিন এটাহে আনিব পাৰিলে। গগৈয়ে অনুমান ৫০ ফুট এনেকৈ সাঁতুৰিছিল। এই ৰকমে বেছন কঢ়িয়াই নি ৬৮।৪ কেম্পত ৰাতিহে উঠিলোগৈ। নামঘৰো পানীত ডুবিল। ৰাতি ভূমিকম্প আৰু পৰ্ব্বত খহাৰ শব্দ অবিৰাম চলি আছিল।

১৯ তাৰিখে ৰাতিপুৱা থেৰলিয়াং কেম্প আৰু নামঘৰৰ কোনো চিন ছাবেই দেখা নগল। সকলো হ্ৰদত পৰিণত। বঙ্গলাৰ নেপালী চকীদাৰ আৰু তাৰ ল'ৰা ডাকোৱাল চন্দ্ৰ-বাহাদুৰ থাপা ২০ তাৰিখলৈকে ওখ জঙ্গলতে আৱদ্ধ হৈ ৰ'ল। গৰু-ছাগলিবোৰ এৰিব নোৱাৰা কাৰণে সিহঁত ৬৮।৪ কেম্পলৈ আহিব পৰা নাছিল। ২১ তাৰিখেহে সিহঁত ৬৮।৪ কেম্পত ওলালহি—গৰু-ছাগলিবোৰ হাবিতে এৰি থৈ। ২১ তাৰিখৰ দিনা পানী উঠি ৭১ মাইলৰ খুটি পালেহি। ৬৮।৪ কেম্প তাৰ ২॥ মাইল ওপৰতেই আছিল। ভূমিকম্পত ৰাতি পাহাৰ

ৰেচিকৈ খহিবলৈ ধৰিলে। হায়ুলিয়াংৰ পৰা ডাক লৈ মানাম্লুম আৰু খেলুম কটকী কেম্পত আহি ওলাল। সিহঁত পৰ্ব্বত বগাই আহিছিল। সিহঁতৰ মুখে হায়ুলিয়াঙৰ খবৰ পালো। তাৰ কেম্পতো কাৰো প্ৰাণহানি হোৱা নাছিল। ২১ তাৰিখে ডেনিঙৰ অভাৰচিয়েৰে মিছিমি যোগে চিঠি পঠিয়াই আমাক মাতি পঠিয়াইছিল আৰু লগতে উলটি যাবলৈ কাগজতে বাট আঁকি দি পঠিয়াইছিল। গগৈ যাবলৈ অমান্তি হ'ল। কিন্তু মই কটকীৰ লগত তেজুলৈ গলো।

ডেৰাইলৈ পুৰণি বাটেদিয়েই গ'লো। ডেৰাইত ৰাতি থাকি পিচদিনা যাবলৈ চেষ্টা কৰিলো। কিন্তু ৰাট বিচাৰি নেপাই আকৌ ডেৰাইলৈকে আহিলো আৰু এদিন বতৰ ধুৱলি-কুঁৱলি হোৱাত ঘূৰি ডেৰাইতে থাকিলো।

২৫ আগষ্টৰ দিনা বতৰ ফৰকাল হ'ল। সেইদিনা চুচৰি-বাগৰি মেৰং পা পালোগৈ। তাতে ৰাতি কটাই পিচদিনা তেজু ওলালোগৈ। মেৰং পা পোৱাৰ আগতে খহনীয়া পৰ্ব্বতৰ ওপৰেদি যাব লগীয়া হৈছিল।

৪ চেপ্তেম্বৰত মই উলটি আহিলো। শ্ৰীদীপ্তি গগৈয়ে তেতিয়া কেম্পটো ৬৮।৪ মাইলৰ পৰা উঠাই আনি বৰ্ত্তমানৰ চিউলিয়াঙত বহুৱাইছিল।

টিডিং নদীৰ দলং নথকাৰ কাৰণে দুখন বাঁহৰ দলং সজাই তাৰে মানুহ ইপাৰ সিপাৰ কৰোৱা হৈছিল। পানী নবঢ়া-নকমা হ'ল। টিডিং নদী বন্ধ হৈয়ে ৰ'ল।

অক্টোবৰৰ ১০ তাৰিখৰ পৰা ডাঙৰ বৰষুণ আৰম্ভ হ'ল; পৰ্ব্বতো খহিবলৈ ধৰিলে। ১৪ অক্টোবৰ ৰাতিপুৱা পানীৰ সোঁ-সোৱনি শব্দ শুনিবলৈ পালো। তললৈ নামি গৈ দেখিলো টিডিং নদীয়ে ভেটা খহাই আকৌ প্ৰবল সোঁতেৰে ববলৈ ধৰিলে। ইতিমধ্যে সজা বেতৰ দলংখনো নৈৰ সোঁতে উটুৱাই নিলে। ভেটাটো খহি গ'ল। দুদিনৰ পিচত থেৰলিয়াং কেম্পৰ ঠাইত দেখা পালো—তাত বালিৰ চট পৰি আছে। আগৰ কেম্পৰ ঘৰ-দুৱাৰৰ চিন-ছাব একেবাৰে লুপ্ত হৈছে। আনকি হ্রদৰ চিনো নাই। নদীৰ পাৰৰ পৰ্ব্বতৰ গাত প্ৰায় দুশ ফুট ওখত মাত্র পানীৰ দাগটোহে দেখা গ'ল।

সদিয়া, ১৯৫০

'দেউতা গাখীৰ খাবি'

দূৰৈত মিছিমি পৰ্ব্বতমালাৰে শুৱনি খৰস্রোতা ন-দিহিঙৰ পাৰৰ ভৈয়াম অঞ্চলত খাম্‌তি চিংফৌ মানুহৰ বসতি। ইয়াৰ গাওঁ সেৰেঙা। গাওঁবিলাকত মানুহৰ সংখ্যা কম। অত্যধিক ঠাই হাবি বননিৰে ভৰা। হাবিত মূল্যবান হল্‌ক কাঠনি। এনে এখন খামতি গাওঁত অৱস্থান কৰিছিলো। লগত নানাবিধ ৰিলিফ সম্ভাৰ—যেনে চাহপাত, লোণ, কাপোৰ, কম্বল, ঘটি, বাতি, কেৰাহি, কেচাধান প্ৰভৃতি। ভূমিকম্প প্ৰপীড়িত ৰাইজৰ মাজত সম্ভাৰ বিতৰণ কৰা হৈছিল। একোঘৰে এবোজালৈকে ৰিলিফৰ বস্তু ভাগত পাইছিল।

কেম্পৰ চাৰিমাইল নামনিত কেইঘৰমান নেপালী মানুহ নতুনকৈ বহিছে। সিহঁতো ভূমিকম্প-বিধ্বস্ত অঞ্চলৰ পৰা নতুনকৈ আহিছে। সিহঁতে লগত সামান্য গোধন লৈ আহিছে। খিৰতী গৰুৰ গাখীৰ খিৰাই সিহঁতে গো-পালনৰ ধৰ্ম্ম আচৰণ কৰিছে। নতুন ঠাইত চেৰেপা আৰু ডাঁহে খাই গৰুৰ তেজ শুহিছে। গতিকে গৰুৱে গা কৰিব পৰা নাই। তথাপি সিহঁতৰ স্বভাৱসুলভ গো-প্ৰতিপালনৰ ত্ৰুটি হোৱা নাই।

অৱস্থানৰ কেম্প জুপুৰী ঘৰ। ওপৰত জেং পাতেৰে চোৱা

চাল। জেংপাত, টকৌ পাতৰ নিচিনা ডাঠ। ভালকৈ চালে তাৰ ভিতৰেদি পানী নসৰকে। ঠাই বিশেষে কেম্পৰ ঘৰ কলপাতৰো হয়। এনে জুপুৰি ঘৰৰ তলত বহি ৰাতিপুৱা কামত মন দিছিলো। এনেতে নেপালী যুৱক জ্ঞানবাহাদুৰ হাতত এচুঙা গাখীৰৰ উপঢৌকন লৈ উপস্থিত হ'ল। জ্ঞান-বাহাদুৰ নেপালী গাওঁখনৰ পৰা আহিছে। ৰিলিফৰ সম্ভাৰ বিতৰণ কৰা শুনি সি তাৰ ভনীয়েকহঁতলৈ কাপোৰ খুজিবলৈ আহিছে। জ্ঞানবাহাদুৰৰ নাম-কৰণৰ কাৰণে তাৰ বাপেক বেদনিধিয়েই জবাবদিহি হৈছে; কিয়নো পুথিগত জ্ঞান আৰ্জ্জিবলৈ তাৰ ভাগ্য নহল। কথা-বতৰাতো চাতুৰ্য্য নাই। কোনো প্ৰকাৰে বুদ্ধিৰ পাৰ্গতালি সি দৰ্শাব নোৱাৰে। জ্ঞান-বাহাদুৰৰ লগত ন-বছৰীয়া ভনীয়েক পদ্মমায়া। তাই মেখেলা চাদৰ পিন্ধিছে আৰু শিৰত কাপোৰ লৈছে। জ্ঞানবাহাদুৰ আহিয়েই গাখীৰৰ চুঙাটো আগবঢ়াই দিলে। মোৰ অপমান বোধ হ'ল। উপঢৌকনেৰে মন জয় কৰা প্ৰথা বহুতে প্ৰশ্ৰয় নিদিয়ে। এই গাখীৰৰ চুঙাটো গ্ৰহণৰ অযোগ্য বুলি ততালিকে প্ৰত্যাখ্যান কৰিলো। বেচেৰা জ্ঞানবাহাদুৰে বুদ্ধিৰ অল্পতা বা উদাৰতাৰ কাৰণে অলপো সংকোচ নকৰি চুঙাটো হাতলৈ চপাই ললে। তাৰ পিচত সি তাৰ উদ্দেশ্য সংক্ষিপ্ত কথাৰে জনালে। অজলা মানুহটোৰ সামান্য উপহাৰটো ওলোটাই মযো মনত আঘাত পাইছিলো। জ্ঞানবাহাদুৰৰ নিবেদন শুনি আঘাত পোৱা প্ৰাণত জুৰণি পালো। ভাবিলো মন সন্তোষ কৰি তাক

ৰিলিফৰ সম্ভাৰ দিলেই মোৰ দুব্যৰ্ৱহাৰৰ প্ৰায়শ্চিত্ত হ'ব। ভবামতে কাম হল। পীড়িত জনে আকাঙ্খিত সামগ্ৰী পাই সন্তুস্ট হ'ল। চট্‌ফটীয়া, উজ্বল নয়নেৰে পদ্মমায়া ককায়েকতকৈ কথকী। তাই কোনো কথা কবলৈ সঙ্কোচ বোধ নকৰে। মোৰ ওচৰলৈ আহি তাই ক'লে যে তাইৰ ঘৰত এৰাঁ গাখীৰ, দৈ গাখীৰ আৰু ঘিঁউ আছে। তাইৰ ঘৰ আলিবাটৰ ওচৰতে। মই যাবৰ দিনা তাই গাখীৰ লৈ আলিবাটত বৈ থাকিব—মোক ক'লে "দেউতা তই খাবি।" তাইৰ মূৰত হাত ফুৰাই মই ক'লো, "বাৰু খাম"। যোৱা দিনটোৰ বাতৰি ললে।

ইটো সিটো কথাৰ পৰা জানিব পাৰিলো তাইৰ নবজাত ভায়েকটোলৈ বৰ মৰম। লগতে কলো যে যাওঁতে গাখীৰো খাম আৰু তাইৰ ভায়েকটোক লৈ যাম। তাই মান্তি হ'ল।

কাৰ্য্যৰ অৱসানত ঘৰমুৱা হওঁতে নেপালী গাওঁখনৰ মাজতে এটা সৰু ঘৰৰ সম্মুখত এজুম মানুহ দেখা পালো। ওচৰ পায় দেখিলো জুমটোৰ ভিতৰত প্ৰফুল্লবদনা পদ্মমায়া। তাইৰ ওচৰত বাপেক বেদনিধিয়ে এচুঙা গাখীৰ লৈ আৰু মাকে কেচুৱা লৰাটি লৈ বহি আছে। মোক দেখি পদ্মমায়াই ক'লে, "দেউতা গাখীৰ খাবি"। মই হাত পাতি গাখীৰৰ গিলাছটো ল'লো। অমৃত-পানৰ সোৱাদ পালো। তাৰ পাছত তাইক ক'লো—তাইৰ ভায়েকটোক লৈ যাম। তাই কেচুৱাটো আনি মোক দিলে। কেচুৱাটো কোলালৈ লৈ আকৌ তাইৰ কোলালৈ দি ক'লো, "পদ্মমায়া, ভায়েৰটোক এতিয়া দিলো। মোৰ হৈ তাক গাখীৰ

খুৱাবি। ডাঙৰ হ'লে মই নিম।” তাই হাঁহিৰে সম্মতি জনালে। বিদায় লবৰ পৰত পদ্মমায়াই মূৰত কাপোৰ লোৱাৰ কাৰণ সুধিলো—বেদনিধি ব্ৰাহ্মণে পদ্মমায়াক একে গাৱঁতে বিষ্ণু উপাধ্যায়লৈ বিয়া দিলে। ইমান সকতে বিয়া দিয়াৰ কাৰণ সুধিলত ক'লে যে বেদনিধি বুঢ়া হ'ল, গতিকে কন্যাদান কৰি মুক্ত হ'ল। ধৰ্ম্মৰ নামত কু-কাৰ্য্যৰ আচৰণ প্ৰত্যক্ষ দেখিলো।

আহোঁতে পদ্মমায়াই ক'লে—“দেউতা আৰু আহিবি, গাখীৰ খাবি।” মই অন্তৰৰ পৰা 'বাৰু' বুলি ক'লো। মোৰ গভীৰ মূৰ্খতাৰ পৰিচয় পালো। পদ্মমায়াই মোৰ অভিমান খৰ্ব্ব কৰিলে।

নামছাই, ১৯৫১

সদিয়াৰ মঠ-মন্দিৰ

অসমৰ উত্তৰ-পূব কোণত শাৰি শাৰিকৈ মিছিমি আবৰ পৰ্ব্বতমালা জিলিকি আছে। দুৰ্গম মিছিমি আৰু আবৰ পৰ্ব্বতৰ উত্তৰত তিব্বত দেশ। তিব্বত দেশ ভেদ কৰি পৰ্ব্বতীয়া জীয়ৰী লুইত আৰু দিবাং নদীয়ে প্ৰচণ্ড বেগেৰে ভৈয়ামলৈ নামিছে। এই দুয়োটি নদীৰ পাৰৰ আকাশলঙ্ঘী পৰ্ব্বতবিলাকত আবৰ, দিগাৰু, মিজু আৰু চুলিকতা মিছিমি বাস কৰে। পৰ্ব্বতৰ কাষৰ সমতলত খাম্‌তি আৰু চিংফৌ মানুহৰ গাওঁ। ভৈয়ামত মিৰি, চুটিয়া, আহোম আৰু নেপালী মানুহৰ সেৰেঙা গাওঁ। ভৈয়ামৰ নামনিত সৰু সদিয়া চহৰ। ১৫ আগষ্টৰ ভূমিকম্পৰ আগলৈকে সদিয়া জনজাতীয় অঞ্চলৰ প্ৰথম কেন্দ্ৰ হিচাবে পৰিগণিত হৈছিল। কিন্তু ভূমিকম্পই চহৰখন উচন্ন কৰিলে। ভূমিকম্পৰ আস্ফালনত চহৰৰ আলি-পদূলি চিতাচিত্‌কৈ ফাটিল। ঘৰ ভাগি-ছিগি পৰিল আৰু লুইত আৰু দিবাং নদীৰ তলি ওপৰলৈ উঠিল। তাৰ ফলত উভয় নদীয়ে চহৰখন ক্ৰমান্বয়ে গ্ৰাস কৰিবলৈ ধৰিলে। বৰ্ত্তমান সদিয়া এনে বিপদৰ সম্মুখীন হৈছে।

সদিয়া আৰু তাৰ কাষৰ ভৈয়াম অঞ্চলত আবৰ, মিছিমি খামতি

আৰু চিংফৌ জনজাতিৰ আৰু ভৈয়ামৰ অধিবাসীৰ শ-শ বছৰৰ আগৰে পৰা মিলন কেন্দ্ৰ। আবৰ মিছিমিৰ জড়োপাসনা আৰু হিন্দুধৰ্ম্মৰ সংমিশ্ৰণত এই অঞ্চলত অতীতত তান্ত্ৰিকতাৰ প্ৰাদুৰ্ভাৱ দেখা পোৱা যায়। তান্ত্ৰিকতাৰ প্ৰভাৱত দেৱ-দেৱীৰ পূজাই এটি বিকৃত ৰূপ ধাৰণ কৰিছিল। এই প্ৰকাৰৰ ধৰ্ম্মৰ বাহিৰেও বৌদ্ধধৰ্ম্ম খাম্‌তি আৰু চিংফৌ সকলৰ মাজত প্ৰচলন হৈছিল। সদিয়াৰ পৰা চল্লিশ মাইল উত্তৰ-পূবত অৱস্থিত পৰশুৰাম কুণ্ডই লুইত-পৰীয়া মিছিমি গাৱঁৰ মাজত আৰ্য্য সভ্যতা প্ৰতিষ্ঠাৰ গৌৰৱ ঘোষণা কৰে। আৰ্য্য-সভ্যতা, তান্ত্ৰিক আৰু বৌদ্ধধৰ্ম্মৰ কীৰ্ত্তিস্তম্ভৰ উপৰিও ছুটিয়া ৰজাসকলৰ ৰাজত্বৰ ভগ্নাৱশেষ এই ঠাইত সিঁচৰিত হৈ আছে। আজিৰ আলোচনাত প্ৰথম তিনিবিধৰ কীৰ্ত্তিসমূহৰ সংক্ষিপ্ত পৰিচয় দিয়া হ'ব।

তান্ত্ৰিক ধৰ্ম্মৰ স্মৃতিৰ ভিতৰত বুঢ়া-বুঢ়ী থান আৰু তাম্ৰেশ্বৰী মন্দিৰৰ ধ্বংশাৱশেষ আজিও বৰ্ত্তমান। সদিয়াৰ উত্তৰত বজাল আৰু তৰাণি নামেৰে দুখন গাৱঁত বুঢ়া-বুঢ়ীৰ থান। তৰাণি আনখন প্ৰাচীন মন্দিৰ। ছুটীয়া ৰজাৰ দিনত ইয়াক স্থাপন কৰিছিল। নিৰ্জ্জন অৰণ্যৰ মাজত এই মন্দিৰ বৰ্ত্তমান। এই মন্দিৰটি এসময়ত বিচাৰি নাপাই ন-কৈ বজাল গাৱঁত বুঢ়া-বুঢ়ীৰ থান পাতিছিল। তৰাণিৰ থানৰ চৌহদত এটি সৰু ঢাপ আৰু কেউপিনে বহুতযুগীয়া ওখ-ওখ অসংখ্য নাহৰ গছ। থানৰ প্ৰাচীন মন্দিৰ লোপ পালে। অতীতৰ কাৰুকাৰ্য্যৰ পৰিচয় দিবলৈ ভালেখিনি পকী ইটা আৰু শিলৰ চাৰিচুকিয়াকৈ কটা

চপৰা সাক্ষী হৈ আছে। কোনো চপৰা ইটাত চিত্ৰাঙ্কণ কৰা আছে। থানত মহাদেৱ আৰু পাৰ্ব্বতীৰ শিলৰ মূৰ্ত্তি আছে। মূৰ্ত্তি গহ্বৰৰ ভিতৰত অদৃশ্যকৈ থোৱা হয়। কাতি, মাঘ আৰু বহাগৰ সংক্ৰান্তিত ইয়াত পূজা দিয়ে। পূজাত পাঠা, হাঁহ আৰু পাৰ চৰাই নৈবেদ্যৰে সৈতে ৰাইজে উছৰ্গা কৰে। দেউৰীয়ে পূজা কৰে আৰু পাঠা, হাঁহ আৰু পাৰ চৰাই দেৱতাৰ উদ্দেশ্যে নিজ হাতে বলি দিয়ে। পূজাৰ সময়তহে যাত্ৰীয়ে মূৰ্ত্তি দেখা পায়। আন সময়ত দেউৰীয়ে চাবলৈ নিদিয়ে। বলিকটা দাখনক দেউৰীয়ে ভক্তি কৰে, দেড়হতীয়া দীঘল আগটো আকোৰা দাখন গহ্বৰৰ পৰা অনাৰ আগতে দেউৰীয়ে বাৰে বাৰে সাষ্টাঙ্গ প্ৰণিপাত কৰে। দেউৰীয়ে দাখনৰ গুণৰ কথা কয় যে সেই দাৰে একে ঘাপেই বলিদান হয়। পূজাৰ মন্ত্ৰ দেউৰী দোৱানৰ। ‘খুন্দী অ-গা খুন্দী’ এই মন্ত্ৰেৰে দেৱতাৰ আহ্বান কৰে। তাৰ অৰ্থ ‘বুঢ়া অ বুঢ়ী’ বুলি দেউৰীয়ে কয়। দেউৰী পদৱীটো পুৰুষানুক্ৰমিক আৰু গাৰঁত সম্মানজনক।

তাম্ৰেশ্বৰী মন্দিৰ ছুটীয়া সভ্যতাৰ প্ৰতীক। ছয় শতাব্দী ব্যাপি প্ৰাচীন নৰ-নাৰীৰ ভক্তিৰ অৰ্ঘ্য কীৰ্ত্তিমন্ত শিল্পীৰ নিৰ্ম্মাণ কাৰ্য্যেৰে অলঙ্কৃত। অনুমান ছশ নৰবলিৰ ৰক্তেৰে ৰঞ্জিত তাম্ৰেশ্বৰীৰ ভগ্নাৱশেষ বুৰঞ্জী-প্ৰসিদ্ধ। এই থান সদিয়াৰ পৰা ৩০ মাইল দূৰৈত—দেউলপানী নদীৰ পাৰত জনশূন্য ঠাইত অৱস্থিত।

যোৱা শতাব্দীৰে পৰা কেবাজনো ভ্ৰমণকাৰীয়ে এই ভগ্নাৱশেষ পৰিদৰ্শন কৰি টোকা লিখি থৈ গৈছে। ১৮৪৪

খৃষ্টাব্দত হান্নে নামেৰে এজন ইংৰাজ পৰিদৰ্শকে এই ভগ্নাৱশেষ পৰিদৰ্শন কৰি চমু টোকা লিখে। হান্নেই তামৰ চাল দেখা কথা লিখা নাই। ডেল্টনে মন্দিৰৰ বিবৰণত কৈছে—“দীঘ পুতল প্ৰায় সমান এটি সৰু শিলেৰে নিৰ্ম্মিত মন্দিৰ। শিলৰ ছটা বিলাক লোহাৰ গজালেৰে লগোৱা আছে। মন্দিৰৰ চালখন তামৰ। মন্দিৰৰ ভিতৰখন দীঘল আৰু পুতলত ৮ ফুট। মন্দিৰৰ চাৰিওকাষে ২০০ ফুট দীঘল আৰু ১৩০ ফুট পুতলৰ ইটাৰ দেৱাল গঠা আছে। পশ্চিম ফালৰ দেৱালৰ ওচৰতে নৰবলিৰ ফালে অৱস্থিত।” ১৯০৪-৫ চনত ব্লকে এইদৰে লিখিছে—“বৰ্ত্তমান অৱস্থাত মন্দিৰটোক কেৱল ভগা শিলৰ দম বুলিব পাৰি। বেৰৰ এক অংশ মাথোন থিয় হৈ আছে। ঘৰৰ মুধ খহি পৰিলে। এজোপা বৃহৎ গছ ভগ্নাৱশেষক আকোৱালি লৈ থিয়দি আছে।” ব্লকৰ বিবৰণত মন্দিৰৰ ভগ্নাৱশেষত অঙ্কিত কৰা দুটি মূৰ্ত্তিক মহাদেৱ বুলি কোৱা হৈছে। এই পৰ্য্যটকে পকী দেৱালৰ চিত্ৰাঙ্কিত ১৬ খনি ইটা উদ্ধাৰ কৰি তাৰ আলোকচিত্ৰ লৈছিল। এই চিত্ৰ বিলাকৰ ক্ৰমান্বয়ে বিবৰণ এই—

১। নৃত্যৰত দাড়িযুক্ত পুৰুষ
২। দ্ৰুতগতিত পুৰুষ
৩। দুটি নৰ্ত্তকী
৪। দুটি ময়ূৰ
৫। বাঘ অথবা সিংহ

৬। গাদি আৰু লেকামযুক্ত ঘোৰা
৭। বৃত্তাকাৰ চিহ্ন
৮। গছ আৰু পাত
৯। দুটি বৰ্গক্ষেত্ৰ
১০। চাৰিপাহ ফুল
১১। পদ্মাকৃতিৰ অলঙ্কাৰ
১২। চিলনিয়ে হৰি নিয়া চৰাই
১৩। নৃত্যৰত ব্যক্তি
১৪। চৰাই বিশেষ
১৫। জোঙা কিৰিটিযুক্ত চৰাই বিশেষ
১৬। ফুলৰ আকৃতিৰ অলঙ্কাৰ

ব্লকৰ পিচত তাম্ৰেশ্বৰী মন্দিৰ পৰিদৰ্শন কৰিবলৈ যত্ন কৰি বহুজন ব্যৰ্থ-মনোৰথ হৈছিল। ১৯৫০ চনৰ এপ্ৰিল মাহত এজন ফান্দীৰ পথ প্ৰদৰ্শনত এই প্ৰবন্ধ-লিখক তাম্ৰেশ্বৰীৰ ভগ্নাৱশেষত উপস্থিত হয়গৈ। বৰ্ত্তমান অৱস্থাত মন্দিৰৰ চৌহদৰ ইটাৰ দেৱাল চাৰিওপিনে ঠায়ে ঠায়ে ভাগিছে। পশ্চিম পিনে দেৱালত হাতীৰ মূৰ্ত্তি কটা আছে। ভঙা শিলৰ ভিতৰত মাজত বিন্ধা থকা ঘূৰণীয়াকৈ কটা শিল আৰু মাৰ্বল শিলৰ ডলা দেখা পোৱা যায়।

নৰবলিৰ শালৰ স্মৃতি দেখা যায়। মন্দিৰৰ ধ্বংসস্তূপ মাথোন আছে। শিলৰ ডাঙৰ চপৰাবে পূজাৰ বেদী ঢাক্ খাই পৰিল আৰু শিলৰ চপৰা ভেদি বৰগছে স্মৃতি বিলোপ কৰি পেলালে।

তাম্ৰেশ্বৰী মন্দিৰত যোনি পূজা হৈছিল। এই পূজাত নৰবলি প্ৰথা প্ৰবৰ্ত্তন আছিল। দেবী কেচাইখাতী বুলি জনা জাত আছিল ; অন্ততঃ তেৰ শতাব্দীৰে পৰা চুটীয়া ৰজাসকলৰ আমোলত এই মন্দিৰত নৰবলি হৈছিল। যোল শতাব্দীত যেতিয়া আহোম ৰজাই চুটীয়া ৰজাক পৰাস্ত কৰে, তেতিয়াও এই মন্দিৰত নৰবলি প্ৰবৰ্ত্তমান আছিল। মৃত্যুদণ্ডেৰে দণ্ডিত অপৰাধীক তেতিয়া দেবীৰ আগত বলি দিয়া হৈছিল। মৃত্যুদণ্ডৰ অপৰাধী নাথাকিলে খেল বিশেষৰ পৰা নিখুঁট পুৰুষক ধৰি নি বলিদান কৰা হৈছিল। বলিৰ পুৰুষ জনক বন্দী-অৱস্থাত নদন-বদনকৈ খুৱাই নিপোটল কৰি লৈছিল। এনে পৰিপুষ্ট শৰীৰ দেৱতাৰ প্ৰীতিযুক্ত বুলি ভাবিছিল। দেৱতাৰ আগত বন্দীজনৰ শিৰশ্চেদ কৰি পূজকে উপস্থিত ৰাইজৰ হৰ্ষধ্বনিৰ মাজত বলিদানৰ তৃপ্তি লাভ কৰিছিল।

পৰশুৰাম কুণ্ড ; আৰ্য্য সভ্যতা আৰু মিছিমি জনজাতিৰ মিলন-ক্ষেত্ৰ, পুণ্যসলিলা লুইতৰ প্ৰৱাহেৰে স্ৰোতযুক্ত, আধুনিক যুগৰ মহামানৱ মহাত্মা গান্ধীৰ ভস্মেৰে-পুতিকৃত পৰশুৰাম কুণ্ড সদিয়াৰ পৰা ৫০ মাইল দূৰৈত বৰ্ত্তমান। লুইতৰ শীতল জল বুকুত লৈ পৰ্ব্বত ভেদি কুণ্ড স্থাপিত হৈছিল। কুণ্ডৰ ওপৰত পৰ্ব্বতৰ ভিতৰৰ পৰা কুহুমীয়া পানীৰ ব্ৰহ্মধাৰা বৈ আহিছে। ১৫ আগষ্টৰ ভূমিকম্পই পৰশু-কুণ্ডৰ ৰূপ সম্পূৰ্ণ পৰিবৰ্ত্তন কৰিলে। কুণ্ডৰ কাষৰ ওখ পৰ্ব্বত চিৰাচিৰকৈ ফাটি দুৰ্জ্জয়-শিলৰ চপৰা খহিবলৈ ধৰিলে। লুইতৰ যি স্থিৰ পানী কুণ্ডৰ

ওপৰেদি বৈ গৈছিল সেই ঠাইত ঘাই সুতি ববলৈ ধৰিলে। তাৰ ফলত অতীতৰ কুণ্ড লুইতৰ গৰ্ভত সোমাল। কুণ্ডত অতিশয় বেগেৰে পানী সোমায় তৰ্জ্জন গৰ্জ্জন কৰি অতীতৰ স্মৃতি বিজড়িত পুণ্যক্ষেত্ৰ বিলুপ্ত কৰিলে। কুণ্ডৰ দক্ষিণে খহনীয়া পাহাৰৰ গালেকে ব্যাপী অনুমান ৬০ ফুট দীঘল আৰু ৪০ ফুট বহল আন এটি ডিম্বাকৃতিৰ পুষ্কৰিণী নিৰ্ম্মাণ হ'ল। দক্ষিণৰ ধ্বংসপ্ৰাপ্ত পৰ্ব্বত ভেদ কৰি ব্ৰহ্মধাৰাৰ উত্তপ্ত জল এই নবনিৰ্ম্মিত কুণ্ডত প্ৰবেশ কৰিছে। এই কুণ্ডৰ ওপৰেদি ধীৰ গতিৰে লুইতৰ এটি সুঁতি বৈ গৈছে। ইয়াৰ ওপৰত পানীৰ বেগ কম। এই নতুন কুণ্ডটিয়েই বৰ্ত্তমান পৰশুকুণ্ড হিছাবে পৰিগণিত হৈছে। ভূমিকম্পত পৰ্ব্বত জৰাজীৰ্ণ হৈছিল। পাহাৰ খণ্ড বিখণ্ড হ'লত কুণ্ডৰ উজনিলৈ লুইতৰ বুকুত ডাঙৰ ডাঙৰ শিল সিঁচৰিত হৈ পৰিছিল। মিছিমি পৰ্ব্বতৰ নামনিত কামলাং আৰু ন-দিহিং নদীৰ পাৰত ক্ৰমে খামতি আৰু চিংফৌ সকলৰ বাসস্থান। খামতি মানুহ বৌদ্ধধৰ্ম্মী। চিংফৌ বিলাকেও ক্ৰমান্বয়ে বৌদ্ধ ধৰ্ম্ম গ্ৰহণ কৰিছে। খামতি আৰু চিংফৌৰ বৌদ্ধ গাওঁবিলাকৰ বাপু-চাং বা বৌদ্ধ মন্দিৰ অপৰিহাৰ্য্য অঙ্গ। বাপুচাং টুপ লগাই সজা চাংঘৰ। বেৰ আৰু মজিয়া কাঠেৰে সাজে। প্ৰত্যেক মন্দিৰতে চৌমুন বা বাপু অৰ্থাৎ ধৰ্ম্মযাজক থাকে। বাপুচাঙত ধৰ্ম্মযাজকৰ অধীনত থাকি লৰাই শাস্ত্ৰ অধ্যয়ন কৰে। গাৱঁৰ তিৰোতাই পুৱা গধূলি ৰন্ধা-ভাত বাপুচাঙত দান কৰে। বাপুচাঙৰ অধিবাসী

উৎসৰ্গিত অন্নেৰে প্ৰতিপালিত হয়। খামতি আৰু চিংফৌৰ সামাজিক জীৱনৰ ওপৰত বাপুচাঙৰ প্ৰতিপত্তি সুদৃঢ়। বাপু-চাঙএ তেওঁলোকক একতাৰ দোলেৰে বান্ধি থয়। চৌখাম, খেৰেম, ইম্‌পং, লাঠাও, ইম্‌ফম্ প্ৰভৃতি সৰু বৰ ভালেখিনি খাম্‌তি আৰু চিংফৌ গাওঁ এই অঞ্চলত বৰ্ত্তমান। গাওঁ নিৰন্তৰে একোটি বাপুচাং বৰ্ত্তমান। এমুঠি জনজাতিয়ে ভাৰতৰ উত্তৰ-পূব প্ৰান্তৰত শ-শ বছৰ ধৰি বুদ্ধদেৱৰ মহিমা ঘোষণা কৰিছে আৰু ধৰ্ম্মৰ খ্যাতি অক্ষুন্ন ৰাখিছে।

ধুবুৰী, ১৯৫৩

ৰঙা জৰী

(১৯৫০ খৃষ্টাব্দৰ ১৫ আগষ্ট। ৰাতিপুৱাৰে পৰা কিনকিনীয়া বৰষুণ। আকাশখন মেঘে ক'লাকৈ ছাটি ধৰিছে। ভাৰত জুৰি আজি স্বাধীনতা দিনৰ মহোৎসৱ। কিন্তু ওন্দোলাই থকা আকাশখনে আৰু নেৰা-নেপেৰা লানি নিচিগা বৰষুণে ভাৰতৰ উত্তৰ-পূব অঞ্চলখনত প্ৰলয়ৰ আগজাননী দিছেহি। দিনটো বেলিয়ে দেখা নিদিলে। সূৰ্য্যাস্ত হ'লত জোনবায়েও সেইদিনা ধ্বংসমুখী দেশখণ্ডলৈ ভুমুকি নামাৰিলে। গধূলি সাত বাজিছে—এনে ক্ষণতে ভূগৰ্ভৰ পৰা এনে জোকাৰণি উঠিল যে উত্তৰৰ পৰ্ব্বতমালা হুৰ্‌-হুৰ্‌কৈ খহিবলৈ ধৰিলে। ঘৰ দুৱাৰ মৰ্‌মৰ্‌ কৰে ভাগিবলৈ ধৰিলে, পৃথিবীয়ে গৰ্ভৰ উত্তাপ সহিব নোৱাৰি ফাট্‌ মেলি পৰিলে আৰু ফাট মেলা বসুমতীৰ মাজেদি অলেখ নিঝৰাই চোঁ চোঁ শব্দ কৰি বাৰি বৰ্ষণ কৰিলে। এনে এটা প্ৰলয়ঙ্কৰী সন্ধিয়াটো আগত লৈ এই সৰু প্ৰৱন্ধটি ৰচনা কৰা হৈছিল। প্ৰৱন্ধ সমাপ্ত কৰি কাগজৰ মাজত থৈ দিয়া হ'ল হয়, কিন্তু ভূমিকম্পৰ প্ৰচণ্ড জোকাৰণিত ঘৰটো চুৰমাৰ হৈ পৰিল। শুৱনি নিবাসৰ ঠাই ধ্বংসস্তূপে অধিকাৰ কৰিলে। প্ৰত্যেক নৰনাৰী প্ৰলয়ৰ গৰাহত পৰি মৰণৰ মুহূৰ্ত্ত উপস্থিত হ'ল বুলি ইষ্ট-গুৰুক স্মৰণ কৰিলে। তিনি দিনৰ পিচত মহাশ্মশান সদৃশ চূৰ্ণ-বিচূৰ্ণ হোৱা ঘৰৰ ধ্বংসাৱশেষৰ মাজৰ পৰা ভালে-খিনি কাকত উদ্ধাৰ কৰা হৈছিল। কোৱা বাহুল্য এই প্ৰৱন্ধটিও তাৰ মাজত পোৱা গৈছিল। প্ৰৱন্ধটো পাঠৰ উপযোগী নহ'লেও বুৰঞ্জী-প্ৰসিদ্ধ দিন এটাৰ লগত্ জড়িত থকা কাৰণে পাঠকৰ আগত নিবেদন কৰা হ'ল।)

ৰতনপুৰ লুইতৰ পাৰৰ গাওঁ। একালত গাওঁখন ধন জনেৰে নদন-বদন আছিল। ছকুৰি সাতঘৰ মানুহ। ঘৰে প্ৰতি মেট্‌মৰা ভঁড়াল। গৰু, ছাগলী, হাঁহ. পাৰ—ঘৰ নিৰন্তৰে। আম, কঠাল, কল, সুমথিৰা, লেতেকু, পনিয়ল, নাৰিকল প্ৰভৃতি ফল ; লফা, চুকা, মৰিছা, পালং, বাবৰি, আলুগুটি, সৰিয়হ, মাটি মাহ, মগুমাহ প্ৰভৃতিৰে বাৰী শুৱনী হৈ আছিল। গাৱঁৰ সোঁ মাজতে থকা কঠাল কাঠৰ খুটাৰে সজা নামঘৰটোত জন্মাষ্টমী, মহাপুৰুষৰ তিনি মহোৎসৱ, ৰাসলীলা উৎসৱত মানুহৰ দলদোপ হেন্দোলদোপ লাগে। জাউৰিয়ে জাউৰিয়ে নাম-কীৰ্ত্তনৰ ৰোলে চাৰিওদিশ জিনি থাকে। খোল, মৃদং আৰু ভোৰতালৰ বাদ্যধ্বনি দূৰ-দূৰণিৰ পৰা শুনিবলৈ পোৱা যায়। আয়তী সকলৰ মিহি কণ্ঠৰে গোৱা আইনাম, ঘোষা, ভটিমাৰে নাম-ঘৰৰ জেউতি চৰিছিল।

১৮৬৪ শকৰ আহাৰ মাহত লুইতত যি ঢল আহিছিল সেই ঢলত গাৱঁৰ উত্তৰ পাৰটোত চপৰা চপৰে গৰা খহিবলৈ ধৰিলে। চাওঁতে চাওঁতেই বহল পথাৰ খনি লুইতৰ বুকুত লয় পাবলৈ ধৰিলে। কেতিয়াবা খহোঁতে যি শব্দ উঠে শুনিলে দূৰৈত থকা মানুহৰো বুকু কঁপি উঠে। এবেগেত, এহাত, দুহাত— এনেকৈয়ে দিনটোত পোন্ধৰ কুৰিহাত লুইতে সামৰি লবলৈ ধৰিলে। ৰতনপুৰৰ বুঢ়া-বুঢ়ী, ডেকা-গাভৰুৰ মনত ভয় হ'ল জানোচা কেতিয়াবা সেই শুৱনী গাওঁখন, বোপা-ককাৰ দিনৰ ভেটিটো, ভোগালি খেতিৰ পামখন আৰু টিন-পাতৰ ওখ নাম-

ঘৰটো লুইতৰ বুকুত লীন হয়গৈ। বিপদৰ আশঙ্কাত সকলো ৰাইজ গাঁৱৰ নামঘৰত গোটখাই মেল পাতিলে। মেলত সিদ্ধান্ত হ'ল যে অহা ভাদ মাহটোত নামঘৰত অখণ্ড প্ৰদীপ জ্বলাব, আয়তীসকলে দিনত আৰু ডেকা-বুঢ়াই গধূলি নাম-প্ৰসঙ্গ কৰিব আৰু ৰাইজৰ চহীযুক্ত একোখন দৰ্খাস্ত জিলাৰ বৰ চাহাবলৈ পঠিয়াব। এই প্ৰসঙ্গতে নামঘৰীয়া শইকীয়াই উন্মুকিয়ালে যে তেওঁৰ জেঠ পেহাকৰ ভাগিন-জোঁৱাই জন এতিয়া কিবা ছিৰস্তাৰ হৈ নগৰত ওখ আসনত বহিছে। গাতকে তেওঁৰ যুক্তি অনুসৰি ছিৰস্তাৰ জনলৈকো এখন চিঠি পঠিয়াবলৈ সিদ্ধান্ত হ'ল।

আলচামতে কাম হ'ল। নামঘৰত ঘিউ-শলিতাৰ বন্তি অহৰহ জ্বলিল। দুপৰীয়া গধূলি মনোহৰ হৰি-সংকীৰ্ত্তনেৰে টিনপাতৰ চাল লগোৱা নামঘৰ মুখৰিত হৈ থাকিল, আৰু সাতোটা ভমকা ফুলীয়া আখৰৰ চহীযুক্ত আৰু ছকুৰি-টিপচহীৰে ফুল বছা দৰ্খাস্তও যুগুত হ'ল। ৰতনপুৰৰ পৰা সাত মাইল দূৰৈত থকা সান্দহখোৱা ব্ৰাঞ্চ পোষ্ট অফিছৰ শ্ৰীহৰিধন ডাকবাবুৰ অনুগ্ৰহত ছশিকি মাছুলৰ অবিহনাৰে দৰ্খাস্ত যথাস্থানত প্ৰেৰণ কৰা হ'ল।

তাৰ পিচত—

ৰতনপুৰীয়া ৰাইজে চপাগুৰিৰ প্ৰত্যেক বুধবৰীয়া হাটলৈ যাওঁতে ডাকবাবুৰ তাত বাতৰি সোধে। "আজ্ঞা দৰ্খাস্তৰ হুকুম আহিছেনে ?" ডাকবাবুৰে কেতিয়াবা 'না' কেতিয়াবা

'জানিনা' কেতিয়াবা ভেকাহি অথবা দুৰ্বোধ্য বাক্যেৰে ৰাইজৰ ভু-বাতৰি লোৱাজনক সম্ভাষণ কৰে। দিনৰ পিচত দিন, বুধ-বাৰৰ পাছত বুধবাৰ, মাহৰ পাছত মাহ পাৰ হৈ যায়। কিন্তু ৰতনপুৰীয়া ৰাইজৰ উৎকণ্ঠা নিবাৰণ কৰিব পৰা প্ৰত্যহ-বাঞ্ছিত কাগজখন আৰু নাহে।

বৰ চাহাবৰ দপ্তৰ—

বাঘৰ নিচিনা তিৰবিৰাই থকা চকু ঘূৰণীয়া ক'লা বিতচকুৰে ঢাকি জিলাৰ ফিৰিঙি বৰ চাহাবে ডাক চায়। মাণিকা চাপ্ৰাছীয়ে খামৰ পৰা মোকোলাই তাৰিখ মোহৰ মাৰি জাপে জাপে কাগজ বাৰে বাৰে চালাম কৰি বৰ চাহাবৰ আগত দিয়ে। বৰ চাহাবে হাতত ভোটোকা নীলা পেন্সিল লৈ ডাক পৰ্য্যবেক্ষণ কৰে। ৰতনপুৰীয়া ৰাইজৰ ছকুৰি টিপচহীযুক্ত দৰ্খাস্ত খনলৈ কেৰাহিকৈ চাই বৰ চাহাবে সু-প্ৰসাৰিত নিৰক্ষৰতাৰ কাৰণে আন্তৰিক বিনোদ প্ৰকাশ কৰি দৰ্খাস্তৰ এচুকত সৰুকৈ নামৰ আগৰ আখৰ দুটাৰ আঁক এটা মাৰি ৰেভিনিউ ছিৰস্তাদাৰৰ ওচৰলৈ পঠিয়াই দিয়ে। ছিৰস্তাদাৰে ডকেট কৰিবৰ কাৰণে তেওঁৰ কেৰাণীক দিয়ে। ইহাত সিহাতকৈ বাগবি দৰ্খাস্তত যথাক্ৰমে যি হুকুম সন্নিবিষ্ট হৈছিল তাৰ সাৰাংশ উদ্ধৃত কৰা গ'ল।

ৰেভিনিউ ছিৰস্তাদাৰ,

ৰতনপুৰৰ মানুহে সদায় আপত্তি জনাই থাকে। আপত্তি সিহঁতৰ দস্তুৰ। কংগ্ৰেছৰ কেবাজনো স্বেচ্ছাসেৱকে এই গাৱঁৰ পৰা আহি যোৱাবাৰ জুবিলি পথাৰত পতাকা উত্তোলন কৰা

দলত ভুক্ত হৈছিল। সিহঁত বৃটিছ ৰাজৰ বিৰোধী। দৰ্খাস্ত নামঞ্জুৰ কৰা হওক।

অস্পষ্ট চহী
১৫।২।৪৩

বৰ চাহাব,

ৰতনপুৰৰ ৰাইজ সম্পৰ্কে অফিছৰ কেৰাণীৰ উপৰোক্ত মন্তব্য দ্ৰষ্টব্য। ৰতনপুৰীয়াৰ এই এটা চক্ৰান্ত মাত্ৰ। এই ত্বৰ্দ্দান্তহঁতে বৃটিছ ৰজাক খেদিবলৈ প্ৰয়াস কৰিছে। ইৰিয়ে সিহঁতক মহাপাতকৰ প্ৰায়শ্চিত্ত স্বৰূপে এই শাস্তি বিধান কৰিছে। হৰিৰ ইচ্ছাত আমি বাধা দিব নোৱাৰো। অৱশ্যে হুজুৰে জৰুৰ পাৰে। তথাপি ইহঁতৰ মুখিয়াল কেইজনক ৰাজ-আলহী কৰি থোৱা উচিত। গতিকে এই আন্দোলনৰ কণ-কঠীয়া মাৰিবলৈ এই দৰ্খাস্ত পুলিছলৈ পঠিওৱা যাওক আৰু পুলিছে তীব্ৰ শাস্তিৰ ব্যৱস্থা কৰক।

অস্পষ্ট চহী
ৰে, ছি,
১৫।৪।৪৩

(প্ৰকাশ এই টোকাৰ আগতে ৰতনপুৰীয়া ৰাইজৰ সাতোলা আতৈক ৰেভিনিউ ছিৰষ্টাদাৰে এদিন দুই কিলাবলৈহে বাকী থাকিল। কাৰণ অজ্ঞাত।)

উপৰোক্ত মন্তব্য সম্বলিত দৰ্খাস্ত পাঠক্ৰমে চতুৰ বৰ চাহাবে বুজিলে যে বাঘ নহ'লেও শিয়াল জালত পৰিল; কিন্তু মুছৰিবৰ সময় নৌ হয় ভাবি এইদৰে হুকুম লেখিলে—

ত্রিকুটি চার্কোলৰ ছৱ-ডেপুটি, এই দৰ্খাস্তৰ যথাৰীতি তদন্তক্ৰমে ৰিপোৰ্ট দাখিল কৰিব।

অস্পষ্ট চহী
ব, ছা,
১৭।৪।৪৩

শ্ৰীহট্ট-নন্দন উচ্চকুলজাত শ্ৰীৰমণী ৰঞ্জন গঙ্গোপাধ্যায় ত্ৰিকুটি চাৰ্কোলৰ মাটি হাকিমে এই অঞ্চলৰ ভাৰ গ্ৰহণ কৰা আজি বাৰ মাহ হ'ল; ৰতনপুৰৰ নৰ-মনিচ এটিয়েও আজি-লৈকে হাকিমৰ সাক্ষাৎ কৰাহি নাই। ইহাতে হাকিমনীয়ে সনাতন মণ্ডল এজনক ভাল গাই গৰু বিচাৰি আনিবলৈ আদেশ দিওঁতে মণ্ডলে হাকিমনাক কৈছিল যে ৰতনপুৰীয়া সাতোলাৰ তিনিজনী চাৰিসেৰীয়া গাই গৰু আছে আৰু হাকিমৰ নাম কওঁতেও সাতোলাই দিবলৈ ৰাজি নহ'ল। সাতে পাছে ৰতন-পুৰৰ ওপৰত হাকিমৰ দৃষ্টি কঠোৰ। হাকিমৰ অৱসৰ লবলৈ মাত্ৰ এঘাৰ মাহ বাকী। এই সময়ৰ ভিতৰতে অজীণ পাতকী কুল নাশ কৰি যাব পাৰিলে তেওঁ শান্তিৰে অৱসৰ ভোগ কৰি কাল কটাব পাৰিব। এনে মনোবৃত্তিৰ বশ হৈ থাকোঁতেই জিলাৰ বৰ চাহাবৰ হুকুমযুক্ত ৰতনপুৰীয়া ৰাইজৰ দৰ্খাস্ত হাকিমৰ কৰস্থ হ'ল। হাকিমে দাঁত কামুৰি খন্তেকলৈ দৃঢ়তাৰ আখৰা কৰি চালে। ওচৰত থিয় হৈ থকা মণ্ডল বাবুৰে বুজিলে কাৰোবাৰ এইবাৰ শৰাধ।

(গোপনীয়)

দৰ্খাস্তৰ বিষয় হৈছে লুইতে গাওঁ খহোৱা। এই বিষয়ৰ লগত এই প্ৰশ্ন জড়িত আছে।

প্ৰথম, লুইতে যদি খহায় তাক কেনেকৈ ৰোধ কৰা যায়।

দ্বিতীয়, অমূলক আন্দোলনৰ বিষময় ফালনৈ চাই কেনেকৈ তাক নিৰ্ম্মূল কৰা যায় ?

প্ৰথম প্ৰশ্নৰ উত্তৰ—নদীৰ ওচৰত থাকিলে পানীৰ ঢৌত দুই এচপৰা মাটি স্থলকি পৰা প্ৰকৃতিৰ নিয়ম। এই নিয়ম সৃষ্টিৰ আদিৰে পৰা চলি আহিছে আৰু আগলৈকো চলি থাকিব। গতিকে এনে এটা প্ৰাকৃতিক ক্ৰীড়াৰ আলম লৈ জনসাধাৰণৰ মাজত কোনো বিক্ষোভ সৃষ্টি কৰি শাসনৰ কাঁইট উলিয়াব খুজিছে, এই বিষয়ে গভীৰভাবে তদন্ত হোৱা উচিত। দ্বিতীয় প্ৰশ্নৰ উত্তৰ—থানাৰ ভাৰপ্ৰাপ্ত কৰ্ম্মচাৰীক ছজন বন্দুকধাৰী চিপাহীৰে ইয়ালৈ মোতায়েন কৰিলে ভয়াতুৰইতৰ শিক্ষা হ'ব আৰু মুখীয়াল আন্দোলনকাৰী কেইজনক জিলালৈ চালান দিয়া যাব পাৰে।

শাস্তিমূলক ব্যৱস্থা থকা গতিকে এই কাকত গোপনীয় ভাবে প্ৰেৰণ কৰা হ'ল।

অস্পষ্ট চহী

ছব-ডিপুটি, ত্ৰিকুট চাৰ্কোল।

৩১।৩।৪৪

গোকুলপুৰ থানাৰ ভাৰপ্ৰাপ্ত কৰ্ম্মচাৰী—

উপৰুক্ত ছৱ-ডিপুটিৰ মন্তব্য দৃষ্টে যথাবিহিত কাৰ্য্য কৰিবা।

চহী

ব, চা,

৪।৪।৪৪

ভাদমাহৰ পূর্ণিমাৰ দিনা বলভদ্ৰ দাৰোগা সদলে ৰতনপুৰ গাৱঁত আবিৰ্ভাৱ হ'লগৈ। ৰতনপুৰীয়া ৰাইজৰ মুখত পানী নাই। কোনে কি জগৰ লগাইছে! দুৰ্দ্দান্তজনে সন্তজনক ক'লে, “যোৱা ভুঁইতলিত তোৰ জীয়েৰে মোৰ নাতিনীজনীক কন্দুওৱাৰ এতিয়া পোতক পাবি। হালে হালে সাঙুৰিব নহয়।” গাৱঁত ৰাইজ ত্ৰাস্তমান। দাৰোগাৰ ছফুটীয়া দেহ, সোণেৰে বন্ধোৱা কোৰ যেন বহল দাঁত, হাতৰ শকত চাবুক দেখিলে দেউ-বিধতায়ো ভয় কৰিব।

পিচদিনা দাৰোগা বাবুৱে গাৱঁৰ সাতোলা আতৈৰে পাঁচজনক সাঙুৰি সশস্ত্ৰ চিপাহীৰে ঘেৰি লৈ জিলালৈ যাত্ৰা কৰিলে। গাৱঁৰ মানুহে বি-বি বা-বা কৰিলে যে ৰজাৰ দঁড়িত সিহঁতক ধৰি নিলে। কোনোৱে কান্দিলে—“হায় ৰতনপুৰত মণিৰাম পিয়লি জন্মিলে, ঈশ্বৰে তাকো হৰিলে।” প্ৰকাশ যে সাতোলা আতৈক নামপ্ৰসঙ্গৰপৰা ওলাওঁতেই দাৰোগাবাবুৱে গ্ৰেপ্তাৰ কৰিছিল। আতৈৰ কোঁচত থকা একাজলি মাহ প্ৰসাদ দাৰোগাৰ এচাৰনিত সিঁচৰিত হৈ পৰিছিল। হৰি-কীৰ্ত্তনৰ প্ৰসাদৰ অৱহেলা কৰাতহে আতৈয়ে দুখ পাইছিল—তেওঁক

গ্রেপ্তাৰ কৰাৰ কাৰণে নহয়; কিন্তু হৰিৰ ইচ্ছা বুলি নিৰৱে সহিছিল।

এইটোও শুনা গৈছিল যে বলোভদ্র দাৰোগা গাৱঁলৈ যাওঁতে সেই গাৱঁত মাথোন চাৰিকুৰি পোন্ধৰ ঘৰ মানুহ আছিল। বাকী ৰায়তৰ হিচাব লওঁতে আতৈয়ে জনাই যে যোৱা বছৰত ডেড়কুৰি ঘৰ মানুহৰ লুইতে গৰা খহোৱা কাৰণে মাটি-বাৰী উচ্চন্ন হ'ল; তেতিয়া সিহঁত নাৰায়ণপুৰ, মাহমৰা প্রভৃতি ঠাইলৈ উঠি গ'ল। ইধৰৰ বুঢ়া-বুঢ়ী যোৱাবাৰ হাইজাত পৰিল; যি এটা কেচুৱা আছিল তাৰো সন্নিপাত জ্বৰত আজি ৰাতিপুৱা মৃত্যু হ'ল আৰু ৰাইজে দাহ কৰিলে।

দাৰোগাই বুট-জোতা পিন্ধি সদৰ্পে যায়। হাতকেৰেয়া দিয়া আতৈ প্রমুখ্যে পাঁচজনে গাৱঁৰ চিনা বাটটোও যেন নিচিনি ঘনে উজুতি খায়। দাৰোগাই ভাবে তেওঁৰ পদোন্নতি নিশ্চিত আৰু মনে মনে কয়—"মূৰ্খইহে বৃটিছ সিংহৰ লগত ফেৰ পাতে!"

ৰতনপুৰীয়া ৰাইজে দৰ্খাস্ত লিখাৰ দিনাৰপৰা ২ বছৰ ৭ মাহৰ পিচত সাতোলা আতৈ প্রমুখ্যে পাঁচজনৰ ৰাজদ্রোহৰ বিচাৰ আৰম্ভ হয়। বিচাৰৰ ফলাফল অনুমেয় মাত্র।

সদিয়া, ১৫ আগষ্ট ১৯৫০

মাতৃত্বৰ হেপাহ

জিলাৰ কাছাৰি ঘৰ। অফিছ বন্ধৰ দিনটোত দুৰ্জ্জয় ঘৰটো জনশূন্য হৈ এৰাপৰলীয়া হৈ থাকে। বন্ধৰ দিনৰ নিৰ্জ্জনতাই ব্যস্ততাপূৰ্ণ দিনটো আগবঢ়াই আনে। বন্ধৰ অন্তত যেতিয়া কাছাৰি ঘৰ খোলে তেতিয়া তাত মানুহৰ উদুলি মুদুলি দেখিলে মনে ধৰে যেন কিবা বিয়া-সবাহৰহে তাত উলহ্ মালহ্ হৈছে। কোনো জনৰ মুখত হাঁহি, কোনো জনৰ মুখ কেহাৰাজ বতা যেন শেঁতা। কোনোজনৰ মুখ দেখিলেই বুজিব পাৰি যে একুৰা জুয়ে তেওঁৰ মন দহিব লাগিছে। শান্তি আৰু শৃঙ্খলাৰ ঘাই ভেটি আৰু ন্যায়ৰ তৰ্জ্জু জনসাধাৰণৰ হিতৰ কাৰণে ইয়াত থাপনা কৰা থাকে। শান্তিৰ বিঘ্নকাৰক শত্ৰুক কঠোৰ শাস্তি-বিধান কৰি ৰাইজৰ মাজত অখণ্ডনীয় সুখ বিতৰণ কৰা শাসক-বৰ্গৰ একান্ত কৰ্ত্তব্য। শাসকে বলী, দুৰ্ব্বলী, ধনী, নিৰ্ধনী, ডাঙৰ, সৰু সকলোকে সমান চকুৰে চাই তেওঁৰ ন্যায়দণ্ড তিল্ মাত্ৰও হেৰ্ ফেৰ্ নোহোৱাকৈ পৰিচালনা কৰা ধৰ্ম্ম। বিংশ শতাব্দীত বস্তুবাদে আধ্যাত্মবাদক ধ্বংস কৰিবলৈ প্ৰগতি লাভ কৰিছে বুলি সাধাৰণ আক্ষেপ। গতিকে বস্তুজগতৰ দৃষ্টিয়ে শাসকৰ মন-প্ৰাণ অধিক আকৰ্ষণ কৰি নৈতিকতাৰ পৰা মন

আঁতৰাবলৈ যত্ন কৰিছে বুলি ধাৰণা হয়। নৈতিকতাৰ ভেটিত প্ৰতিষ্ঠিত নহ'লে কোনো শাসনপদ্ধতি ৰাইজৰ হিতকৰ হ'ব নোৱাৰে। শাসক শাসনযন্ত্ৰৰ মেৰুদণ্ড। মেৰুদণ্ড ঘূণীয়া হ'লে যেনেকৈ শৰীৰ প্ৰবৰ্ত্তিব নোৱাৰে, তেনেকৈ শাসকবৰ্গৰ চৰিত্ৰ-বলত খুত্ লাগিলে শাসনযন্ত্ৰ ঘূণীয়া হয় আৰু তাৰ কাৰ্য্যকৰী শক্তি লোপ পায়। যি দেশৰ শাসনযন্ত্ৰ সবল নহয় তেনে দেশৰ ভবিষ্যৎ কেতিয়াও উজ্জ্বল হ'ব নোৱাৰে। বৃহৎ দেশখনৰ ভবিষ্যৎ কল্যাণৰ অৰ্থে আমাৰ দেশৰ শাসকমণ্ডলী নিখুত চৰিত্ৰৰ আৰু ন্যায়পৰায়ণ হোৱাটো খাই কৰ্ত্তব্য।

কাছাৰি ঘৰটোত পুৱাবে পৰা আবেলিলৈকে নানান্ ভাব ফুটি উঠে। জনাকীৰ্ণ ঘৰটো আৰু তাৰ প্ৰাঙ্গণ সুখ-দুখৰ হাঁহি-বিননিয়ে পৰিপূৰ্ণ কৰি থয়। উপায়ুক্তৰ কোঠাটো পুৰণি-কলীয়া ইটাৰ পকী ঘৰটোৰ এচুকত। তাৰ আগত দীঘলীয়া পকী মজিয়াখন। জেঠমাহৰ বাৰ খবটো দেৱাই গৈ আহাৰ সোমাওঁতেই লানি নিছিগা ধাৰাসাৰ বৰষুণে গাওঁ ভুঁই ওপোচাই পেলালে। চাৰিওফালে পানীৰে দোকোল্ মোকোল্ হ'ল। যি ভুঁই পথাৰত ৰুইছিল তাক লেকেতা লগা বাণপানীয়ে ভশম্ কৰিলে। যাৰ কঠিয়া তলিত আছিল তাতে পানীত যাহ্ গ'ল। গোহালিৰ গৰু-গাই, দমৰা-দামুৰী কিমান সোঁতত উটি গ'ল তাৰ বিতং বিবৰণ কোনেও দিব নোৱাৰে। গছি আৰু গুটি ধানৰ ভৰালবিলাকো এবুকুৱা পানীত তল যোৱাত পেটৰ ভাতমুঠিলৈ ৰাইজৰ আতঙ্ক উপজিল। ঘৰে ঘৰে এমুঠি

ভাতৰ কাৰণে হাহাঁকাৰ লাগিল। ভোকত ল'ৰা-ছোৱালীৰ কান্দোন শুনিলে বুকু ফাটি যায়। চহৰৰ পৰা সহায় কৰিবলৈ এখন নাৱত চিৰা, গুৰ, চাউল আৰু নিমখ গাৱঁলৈ আনিছিল। কিন্তু দিহিঙৰ পকনীয়াত নাও ডুবি গ'ল। ফলত নাৱৰীয়া সাঁতুৰি প্ৰাণ লৈ ৰক্ষা পৰিল কিন্তু নাৱত অহা নিমখাপৰ বিষয়া এজন নিৰুদ্দেশ হ'ল। গাৱঁৰ পৰা ৰিণি ৰিণি দেখা পোৱা ৰাজআলিটোত থিয় দিবলৈ ঠাই নাই। গৰু গাই আৰু বিপন্ন মানুহৰ আশ্ৰয়স্থল তাতেই। টকৌ পাতৰ চালি সাজি তাৰ তলত বান-বিধ্বস্ত পৰিয়ালে দুখৰ দিন কেইটা ঠেলি হেচুকি পাৰ কৰিবলৈ আহিছে। ওপৰত কিন্‌কিনীয়া বৰষুণ। কেউফালে লেপ্‌লেপীয়া বোকা আৰু নেফা-নেফ্ হৈ থকা গোবৰ চিটিকি পৰি ৰাজআলিও নৰকত পৰিণত হৈছে। ভুতৰ ওপৰতে দানৱ অহা দি এই দুখৰ বোজা আৰু গধুৰ কৰিবলৈ হাইজা আৰু গ্ৰহণী বেমাৰে দেখা দি বানপানীত জুৰুলা হোৱা ৰাইজক দুখৰ হাত সৰাৰ অন্যতম পথ দেখুৱাই দিছে। হাইজাত পৰি একে চুবুৰীৰে সাতোজন প্ৰাণী যমপুৰীলৈ গ'ল। চহৰৰ ডাক্তৰ আহি ঔষধ আৰু বেজী দি ৰাইজক মহামাৰীৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছে।

ওপৰত উন্মুকিওৱা প্ৰলয়ঙ্কৰ দিন এটাত কাছাৰি ঘৰত লোকাৰণ্য হৈছে। হাজাৰ বিজাৰ নৰনাৰীয়ে গলবস্ত্ৰ হৈ পেটৰ আহাৰ, গাৰ কাপোৰ, বেমাৰৰ ঔষধ আৰু পথ্য বিচাৰি কাছাৰি ঘৰটোত উখল্ মাখল্ লগাইছে। চৰকাৰি বিষয়া কেইজন

মানক লগত লৈ জিলাৰ উপায়ুক্তই সমাগত ৰাইজৰ দুখৰ কাহিনী শুনিছে আৰু তাৰ দিহা দিছে। উপায়ুক্তই সমবেত ৰাইজক বুজনি দি কৈছে যে বিপদ কালত ধৈৰ্য্য ধৰা মানুহৰ ধৰ্ম্ম। তেওঁ আৰু কৈছে যে ৰাজ-ভৰালৰ ধনেৰে যথাশক্তি ৰাইজৰ সেৱা কৰিবলৈ তেওঁলোক অগ্ৰসৰ হৈছে। তেওঁলোকৰ কাৰণে আৱশ্যকীয় আহাৰ, কাপোৰ-কানি আৰু ঔষধৰ তেওঁ ব্যৱস্থা কৰিছে। কৰযোৰে তেওঁ ৰাইজলৈ সেৱা জনাই কবলৈ ধৰিলে—

"ৰাইজ সকল

মই আপোনালোকৰ সেৱক মাথোন। মম্লো আপোনালোকৰে মাজৰ এজন। আজি বানপানী আৰু মহামাৰীৰ উৎপীড়নত মোৰ বাই-ভনী ককাই-ভাইক জুৰুলা কৰিছে। চৰকাৰৰ পক্ষৰ পৰা ৰাজ-ভৰালৰ ধন আগ বঢ়াই দিছে। আপোনালোকৰ সেৱাৰ কাৰণে স্বেচ্ছাসেৱক বাহিনী গঠন কৰা হৈছে। আৰু স্বেচ্ছাসেৱক সকলে নিজৰ প্ৰাণ বিসৰ্জ্জন দি হ'লেও আপোনালোকৰ সেৱা কৰিবলৈ সঙ্কল্প গ্ৰহণ কৰি বিভিন্ন গাওঁ অঞ্চললৈ নিৰ্দ্ধাৰিত কাৰ্য্যসূচী অনুযায়ী যাত্ৰা কৰিছে। তেওঁলোকৰ হাতত চাউল, নিমখ, চিৰা, গুৰ, কাপোৰ আৰু ঔষধ দি পঠোৱা হৈছে। তেওঁলোকৰ লগত পঠিওৱা সামগ্ৰীৰ উপৰিও আমাৰ হাতত যথেষ্ট পৰিমাণে খাদ্য, কাপোৰ আৰু ঔষধ মজুত আছে। মুঠতে আপোনালোকৰ অত্যাৱশ্যকীয় ভাত, কাপোৰ আৰু ঔষধৰ নাটনি নপৰাকৈ

সম্পূৰ্ণ ব্যৱস্থা কৰা হৈছে। আপোনালোকলৈ আগ বঢ়াই দিয়া সহায় আপোনালোকে সুশৃঙ্খল ভাবে গ্ৰহণ কৰক। অৰ্থাৎ আপোনালোকৰ নিজ নিজ গাৱঁৰ মুখিয়াল সকলে যাৰ যেনেকৈ প্ৰাপ্য তেনেকৈ বিতৰণ কৰাত সহায় কৰক। এনে বিপদত আমি উবা জুবা কৰিলে সহায় বণ্টনত বিশৃঙ্খল হ'ব আৰু তাৰ ফলত পাব লগীয়া জন সহায়ৰপৰা বঞ্চিত হ'ব। গতিকে ৰাইজক মই কৰযোৰে মিনতি কৰিছোঁ আপোনালোক সুশৃঙ্খল হওক, আপোনালোকৰ প্ৰতি যাচি দিয়া সহায় সুনিয়ম ভাবে গ্ৰহণ কৰক। মই আপোনালোকৰ সেৱক হিচাবে অঙ্গীকাৰ কৰি কৈছোঁ যে এজন মানুহৰো অনাহাৰে বিনা ঔষধে প্ৰাণ হানি হ'বলৈ এৰি নিদিওঁ......"

উপায়ুক্তৰ দৃঢ়তাৰ ভাবভঙ্গী, চল্‌চলীয়া চকুৰ চাৱনি, পুৰুষ-সুলভ ধ্বনি শুনি সমাগত ৰাইজ প্ৰফুল্লচিত্ত হ'ল আৰু ৰাইজে "জয় হৰি বোলা। জয় ৰাম বোলা।" বুলি তিনি বাৰ জয়ধ্বনি কৰিলে আৰু আয়তীসকলে তিনি জোলোকা উৰুলি দিলে। জনাকীৰ্ণ কাছাৰি ঘৰটোত গাম্ভীৰ্য্য দুগুণে চৰিল। এনে মুহূৰ্ত্ত এটিত দণ্ডায়মান উপায়ুক্তই ভৰিত কাৰোবাৰ হাতৰ পৰশ অনুভৱ কৰি তললৈ চাই দেখে যে এজন সুঠাম ডেকাই তেওঁৰ ভৰিত দীঘল দি পৰি দুই হাতেৰে ভৰিদুখন আকোৱালি ধৰিছে। ডেকাৰ বয়স অনুমান ডেড় কুৰি বছৰ। তেওঁৰ শৰীৰ নিপোটল, গাত আটোম টোকাৰিকৈ পিন্ধা গুৰ্খা যুৱকৰ সাজপাৰ। চক্‌চকীয়া দাঁত দুপাৰি আৰু ৰাঙলি ফুল যেন গাল

দুখনিৰে বিধাতাই শুৱনিকৈ এই শৰীৰটি নিৰ্ম্মাণ কৰিছিল। ডেকাৰ কপালত বগা চন্দনৰ ফোট আৰু মূৰত কিচ্‌কিচীয়া ক'লা চুলিখিনি ঢাকখাই থকা টুপী এটা। ডেকা জনক দেখি উপায়ুক্তই ততালিকে সমবেত জনতাক কৰযোৰ কৰি বিদায় মাগিলে। তাৰ পিচত ডেকাক কি লাগে সুধিলে। ডেকাৰ ভৰিৰ ওচৰতে এগৰাকী গাভৰু থিয় হৈ আছে। গাভৰুৰ বয়স অনুমান কুৰি বছৰ, দেখাত অনিন্দ্য সুন্দৰী। গাভৰু অসমৰ জীয়ৰী হ'লেও নেপাল দেশাগত পিতৃমাতৃৰ পৰিচয় লোপ পোৱা নাই। এই গাভৰুক সাক্ষাৎ ৰতিদেৱী আৰু ডেকাক কামদেৱৰ আখ্যা দিলেহে বৰ্ণনা ৰক্ষিতা খায়। গাভৰুৰ হাঁহি ভৰা মুখখনি আৰু চঞ্চল চকুযুৰিয়ে এটা সুগভীৰ পৰিবেষ্টনীকো মুখৰিত কৰি তুলিছিল। গাভৰুৰ দুয়ো গাল তেজেৰে ফুটি যাওঁ ফাটি যাওঁ যেন হৈছে। যৌবন ভৰা দেহটোক কাপোৰেৰে ঢাকিছে যদিও বুকুখনে বিদ্ৰোহ কৰি আত্মপৰিচয় দিছে। তেওঁৰ কোলাত আল্‌ফুল্‌কৈ লোৱা এটি দেৱশিশু। শিশুটি সদ্যজাত যেন দেখা যায়। কিন্তু মাকৰ মুখলৈ চালে তেওঁক পোৱঁতী যেন নালাগে। হেঙুলীয়া উল্ সূতাৰ টুপী, মোজা আৰু ছোলাৰে শিশুৰ দেহৰ ৰং চৰাইছে। সন্তানটিৰ কপালত এটি ক'লা ফোট দিয়া আছে। গাভৰুৱে এই শিশুটিক কোলাত লৈ হেপাহেৰে উপায়ুক্তৰ চকুলৈ চাই ৰ'ল। উপায়ুক্তই গাভৰুৰ শুৱনি মুখখন, চকু যুৰি আৰু তেওঁৰ কোলাৰ দেৱ-শিশুটিলৈ চাই মাতৃত্বৰ অপৰূপ ৰূপ মনে মনে বৰ্ণনা কৰিলে।

লগে লগে তেওঁ যুবকক সুধিলে, "তোমাক কি লাগে ?" এই দৰে কৈয়েই ডেকাজনক গাত ধৰি ওপৰলৈ উঠালে। ডেকাই ক'লে, "দেউতা, মই ল'ৰা পাইছো। মই বৰ সুখী। সেই কাৰণে আপোনাক সেৱা জনাবলৈ আহিছো। পদ্মমায়া, তয়ো সেৱা কৰ। বাছাটোৰ হতুৱাইও সেৱা কৰোৱা। দেউতা, আপোনাৰ সন্তানটি পাই মই স্বৰ্গলাভ কৰিছো······"

উপায়ুক্তই ক'লে, "ৰ'বা, তুমি বিহ্বল নহ'বা। দুখত যেনেকৈ ধৈৰ্য্য ধৰিব লাগে আনন্দতো অধীৰ হ'ব নালাগে। কি ক'ব লাগে লাহে লাহে কোৱা।" এই বুলি কৈ উপায়ুক্ত তেওঁৰ কোঠাৰ ভিতৰ সোমাল আৰু শিশুটি কোলাত লৈ গাভৰু আৰু ডেকাজন পিচে পিচে গ'ল। ডেকা গাভৰুক আগতে দেখা দেখা যেন উপায়ুক্তৰ মনত খেলাইছিল, কিন্তু ক'ত কেতিয়া দেখিছিল ঠিৰাং কৰিব নোৱাৰিলে। ৰাইজ তেতিয়াও কাছাৰি ঘৰৰ চোতালৰ পৰা গৈ শেষ হোৱা নাই। ওচৰত থকা ৰাইজে ডেকাৰ আবেগভৰা কথা কাণ পাতি শুনিছিল। বিশেষকৈ শেষৰ কথাষাৰি—"দেউতা, আপোনাৰ সন্তানটি"—তেওঁলোকৰ পূৰাকৈ কৰ্ণগোচৰ হৈছিল। ৰাইজৰ মাজৰ পৰা ডেকা কেইজনে চকুৰে টিপ্ মাৰি কোৱাকুই কৰি আমোদ লভিলে। বুঢ়া-মেঠা সকলে মুখেৰে একো ভাব প্ৰকাশ নকৰিলেও মনে মনে বুজিলে যে উপায়ুক্তৰ নিশ্চয় অবৈধ প্ৰণয় ঘটিছিল আৰু তেওঁৰ ঔৰসত এই শিশু তেন্তে জন্ম হৈছিল। সকলোৰে মনত কৌতুহল লৈ ঘৰা-ঘৰি গ'ল। অৱশ্যে উপায়ুক্তৰ শেষৰ আশ্বাস

ৰাণীয়ে দুখ-দুৰ্গতিৰ সম্মুখীন হবলৈ তেওঁলোকৰ হিয়াত বল যোগাইছিল।

(২)

তিনদিনৰ আগৰ কথা। উপায়ুক্তই কাছাৰি ঘৰত বাইজৰ আবেদন পত্ৰ পঢ়ি থকা সময়ত এহাল ডেকা গাভৰু তেওঁৰ সমুখত থিয় হ'ল। ডেকাই এখন কাকত উপায়ুক্তলৈ আগ বঢ়ালে। গাভৰুটিৰেও কৌতুহলপূৰ্ণ চাৱনিৰে সেই তুলাপাত ডুখৰিলৈ চাই থাকিল। ডেকা-গাভৰুৰ লগত যেন সেই কাকত টুকুৰাৰ জীৱন মৰণৰ সম্বন্ধ। চাৰিও চকুৰে চকু নিপিৰি-কিওৱাকৈ কাকতখনিলৈ হেপাহেৰে চাই থাকিল। উপায়ুক্তই কাকতখন পঢ়ি ডেকাক সুধিলে, "আনৰ সন্তান তোমাক কিয় লাগে ? সন্তানৰ জাত কুলৰ পৰিচয় পাইছা জানো ?"

ডেকাই ক'লে, "দেউতা, মোৰ নাম পদুম বাহাদুৰ। মই টিৰাপৰ চতুৰ্ব্বেদী উপাধ্যায়ৰ একমাত্ৰ ল'ৰা। নেপাল আমাৰ আগতে দেশ আছিল। কিন্তু মোৰ আতা এই দেশলৈ আহি ইয়াতে থাকে। মোৰ আতা আৰু পিতাৰ অস্থি এই দেশতে পোত্খাই আছে। পিতাই পঞ্জিকা চাই শুভ লগ্নত পদ্মমায়াৰ লগত সাত বছৰৰ আগতে মোৰ বিয়া পাতে। বিয়াৰ পিচ বছৰতে পিতা আৰু আই ঢুকায়। মোৰ ককাই ভাই কোনো নাই। পদ্মমায়াৰ নিচিনা গুণী তিৰোতা পাই মই সুখী হ'লো। কিন্তু ঈশ্বৰে সুখত বাধা দিলে। আমি নিঃসন্তান হ'লো।

পদ্মমায়া কান্দি কাটি সন্তানৰ কাৰণে ব্যাকুল হৈছে। দিঠক আৰু সপোনত তাই কেৱল সন্তানকে দেখা পায়। সন্তানৰ কাৰণে তাই কান্দি কাটি বাউলি হৈছে। দেউতা, তাইৰ চকু যুৰিলৈ চাওক, এতিয়াও আকাশত বাৰিষাৰ ওন্দোলাই থকা মেঘৰ নিচিনা তাইৰ চকুৰ পতাত পানীৰ টোপাল ওলমি আছে। যোৱা সোমবাৰে পূর্ণিমাৰ নিশা পদ্মমায়াই সপোনত দেখিলে যে মোৰ পিতাই আহি তাইক ক'লে, 'আই তই নাকান্দিবি। তোৰ কাৰণে মই এটি দেৱশিশু আনি দিছো। এই শিশুটিৰ জন্ম বৃত্তান্ত তই নুসুধিবি।' সপোনতে পদ্মমায়াই পিতাক সুধিলে, 'দেউতা, মোক দিয়ক। দেৱশিশুটি মোক দিয়ক। ই আপোনাৰ কুলতিলক হ'ব।' তেতিয়া মোৰ পিতাই পদ্মমায়াক ক'লে, 'শিশুটি চহৰৰ আস্পতালত উপজিছে। সি অনাথ। তাই গ'লেই তাতে পাব।' এইদৰে কোৱাৰ পিচত পদ্মমায়াৰ সপোন ভাগিল। আৰু সাৰ পাই সপোনৰ কথা সুৱৰি হুৰাওৰাৱে কান্দিবলৈ ধৰিলে।"

ডেকাজনে এইদৰে বর্ণনা দি থাকোঁতে তেৰোঁ খোটামোজা খোৱা যেন হৈছিল। তেওঁৰ মাত থৌকি বাথৌকি হৈ পৰিছিল। ডেকাৰ দক্ষিণ বাহুৰ আৰত থিয় হৈ থকা পদ্মমায়াই উচুপি উচুপি এনেকৈ কান্দি আছিল যে তাইৰ চকুৰ পানীয়ে মুগাৰ ৰিহাৰ আচলখন একেবাৰে তিয়াই পেলাইছিল। উপাযুক্তই ডেকাৰ কথা শুনি আৰু গাভৰুৰ আবেগ দেখি বুজিব পাৰিলে যে এইটি এটি সৰল গাৱঁলীয়া জীৱনৰ নিভাজ ছবি। এই ডেকা-

গাভৰুৰ জীৱনত কৃত্রিম আভৰণে ঠাই পোৱা নাই। তেওঁ ডেকাৰ মুখলৈ আকৌ চালে। দেখিলে দুয়ুৰি চকুৱে তেওঁৰ হাতত থকা তুলাপাত ডুখৰিলৈ সনির্ব্বন্ধ নেত্রে চাই আছে। মনতে ভাবিলে, 'সপোনে দিঠকৰ কথা কেনেকৈ আঙুলিয়াই? আস্পতালত অনাথ শিশু থকা বাতৰি মৃতকৰ আত্মাই কেনেকৈ সপোনত দি যায়? জ্ঞানীলোকে তেন্তে সেই কাৰণেহে কয় যে 'স্বর্গ-মর্ত্ত্যত এনে পদার্থ আছে যাক জ্ঞান-বিজ্ঞান সপোনেৰেও চুকি নাপায়।' ইয়াৰ পিচত তেওঁ তুলাপাত খনিত কিবা লিখিলে আৰু পদুম বাহাদুৰৰ হাতত দি যথাস্থানত দিবলৈ ক'লে। পদুম বাহাদুৰে সুধিলে, "দেউতা, পামনে?" পদুম বাহাদুৰ আৰু পদ্মমায়াৰ কাণ এই কথা ষাৰিৰ প্রত্যুত্তৰৰ কাৰণে থিয় হৈ ৰ'ল। সেই এষাৰ কথাই যেন সিহঁতৰ জীৱন মৰণৰ ভেটি বান্ধিব বা ভাঙিব পাৰে। উপাযুক্তই ক'লে, "যদি আছে তেন্তে পাবা। কিন্তু পোৱাৰ পিচত শিশুটি মোক দেখুৱাবা আৰু প্রত্যেক তিনিমাহৰ অন্তত আনি মোক দেখুৱাব লাগিব।"

এই কথা শুনি পদ্মমায়া আৰু পদুম বাহাদুৰে স্বর্গ চুকি পালে। দুয়ো ততালিকে প্রণিপাত জনাই গন্তব্য স্থানলৈ গ'ল। পদ্মমায়াৰ বুকুৱে ধৰ্ফৰ্ কৰিলে—জানোচা সপোন মিছা হয়। যদি সপোন অসাৰ হয় আৰু দেউতাকৰ কথা নফলে, তেন্তে তাইৰ মনুষ্য জন্ম নিষ্ফল হ'ল। পদুম বাহাদুৰে মনে মনে গুণা-গঠা কৰিলে যে যদি অনাথ শিশু লাভ নহয় তেন্তে পদ্মমায়াক জীয়াই ৰখা হয়তো সম্ভৱ নহ'ব, কিয়নো পদ্মমায়াই তাক কৈছিল যে

নিঃসন্তান জীৱনৰ ভাৰ তাই আৰু বেচি দিন ব'ব নোৱাৰে। অন্তৰত কিন্তু আশা যে তাৰ পিতাকৰ দৈববাণী কেতিয়াও অথলে নাযায়। তাৰ দেউতাক বেদোজ্জ্বল বুদ্ধিৰ গৰাকী, সত্যভাষী, শুদ্ধাচাৰী ব্ৰাহ্মণ।

(৩)

পদুম বাহাদুৰ আৰু পদ্মমায়াই সিহঁতৰ প্ৰাণৰ শিশুটিক আজি বুকুত বান্ধি আনি উপায়ুক্তক দেখুৱালে। পদ্মমায়াই আজি জীৱনৰ শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিছে। বিধাতাৰ এই বৰ পাই আজি তাই নিজক পৰম ভাগ্যৱতী বুলি ভাবিছে। এই মুহূৰ্ত্তটোৰ কাৰণেই যেন তাই জনম লভিছিল আৰু তাৰ কাৰণেই যেন তাইৰ ল-নি শৰীৰ বিধাতাই নিৰ্ম্মাণ কৰিছিল। এই মুহূৰ্ত্তটোৰ অবিহনে তাই হয়তো জীয়াই থাকিব নোৱাৰিলেহেঁতেন। তন্ময়চিত্তে সন্তানৰ মুখলৈ চাই থাকোঁতে উপায়ুক্তই তাইক সুধিলে, “পদ্মমায়া, তোমাৰ ল'ৰাটিয়ে তোমাক মা বুলিছেনে?” পদ্মমায়াই মা বোলা শুনি যেন অমৃতৰ পৰশ পালে। তাই কবলৈ ধৰিলে, “দেউতা, আপুনি চাওকচোন ল'ৰাটিয়ে কেনেকৈ মোৰ মুখলৈ চাই আছে। সি কথা কয় কয় যেন লাগি আছে। যি দিনাই মোক মা বোলে সেই দিনা আপোনাক আনি দেখুৱাম।”

এই দম্পতীৰ সুখৰ জীৱন নিৰীক্ষণ কৰিবলৈ উপায়ুক্তৰ আৰু সময় নহ'ল। সেইদিনা সিহঁতক বিদায় দিয়াৰ আগতে পদুম বাহাদুৰৰ হাতত কেইটামান টকা গুজি দি ক'লে,

"ল'ৰাটিক ভালকৈ তুলি তালি ডাঙৰ কৰিবা। আগলৈ তাক পঢ়ুৱাই ডাঙৰ মানুহ কৰিবা। কেতিয়াবা সহায় লাগিলে মোৰ ওচৰলৈ আহিবা।" পদুম বাহাদুৰে কথা কাণ পাতি শুনিলে কিন্তু টকা কেইটি নললে আৰু ক'লে, "দেউতা, ধন-সোণতকৈ বহু মূল্যবান ৰত্ন আপুনি মোক দিছে। আৰু অধিক নিদিব।" পদ্মমায়াই ক'লে, "দেউতা, এই ল'ৰাটিক ভালকৈ পঢ়াম। ইয়াক মই হুবহু আপোনাৰ নিচিনা দেখিছো। ডাঙৰ হ'লেও আপোনাৰ নিচিনা ডাঙৰ কাম কৰিব গৈ।"

এইদৰে কৈয়েই সুখী পৰিয়ালটি সপোনৰ দৰে সেই দিনা আঁতৰি গ'ল। এই পৰিয়ালটিক সেই দিনা যি দেখিছিল তেওঁৰ মনত সিহঁতে দকৈ ছাব বহুৱাই গ'ল। ইয়াৰ পিচতো তিনিমাহৰ অন্তৰত দুবেলি এই দম্পতীয়ে শিশুটি কাছাৰি ঘৰলৈ অনা বহুতে দেখা পাইছিল। প্ৰত্যেক বাৰেই নানান ৰং-বেৰঙৰ কাপোৰেৰে ল'ৰাটি শুৱনিকৈ পিন্ধাই উৰাই আনিছিল। কপালৰ ক'লা ফোটটি গাখীৰত ৰঙা চন্দনৰ দৰে জিলিকিছিল।

আঠ মাহৰ পিচত এই দম্পতীক ৰাজআলিত দেখা পোৱা গৈছিল। তেতিয়া পদুম বাহাদুৰক দেখিলে বাৰ্দ্ধক্যৰ দেওনাত ভৰি দিয়া মানুহ যেন দেখা গৈছিল। পদ্মমায়াৰ আউলি জাউলি বৈৰাগী বেশ। এইবাৰ কিন্তু তাইৰ কোলাত দেৱশিশুটি আৰু দেখা নগ'ল।

ছিলং, ১৯৫৭

আবৃত্তি

বাহিৰত জুই—ভিতৰত মৰমৰ বিচিত্ৰ বৰণীয়া কোমল মেঘবোৰ। সেই কন্টকময় জীৱনৰ এই মৰমেই সিহঁতৰ মৰু-প্ৰান্তৰৰ ওৰেছিছ। এদিন তাৰ গতানুগতিক জীৱনধাৰাৰ পদ্ধতি অতিক্ৰম কৰি সি আহিব তাৰ মৰমৰ মানুহবোৰৰ ওচৰলৈ। আহোঁতে সি তাৰ ক্ষুদ্ৰ শক্তিৰে নানান উপহাৰ সংগ্ৰহ কৰি আনিব বিভিন্ন দেশৰ পৰা। পৃথিবীৰ কোনো প্ৰান্তত থকা তাৰ ঘৰখনিলৈ বুলি সি যেতিয়া পথ অতিক্ৰম কৰিব—হয়তো পথৰ দূৰত্বৰ যন্ত্ৰণা তাৰ মনৰ আনন্দই অবসান কৰিব! সি আগবাঢ়িব—প্ৰতিদিনে—দুৱাৰ মুখত তাক দেখি জপিয়াই উঠা ভায়েক ভনীয়েক কিটাৰ হাতত দিব লজেঞ্চৰ টিনকিটা। আগ্ৰাৰ পৰা অনা মাৰ্ব্বল পাথৰৰ শুভ্ৰ তাজমহলটো দিব হয়তো তাৰেই প্ৰতীক্ষাত বৈ থকা তাৰ মানস প্ৰতিমা লয়লাজনীক। দেউতাকৰ হাতত হয়তো তুলি দিব সি অনা হাতী দাঁতৰ ষ্টিকডাল! আৰু মাকৰ ডিঙিত মেৰিয়াই দিব কাশ্মিৰী শ্বালখন! সকলোৰে মুখত হাঁহি ওপচাই দি যেতিয়া সি বহিব, সেই সুযোগতে তাৰ মৰমৰ জিনেও তেতিয়াই তাৰ কোলাত জপিয়াই বহিব—জিনে তাৰ জ্ঞান ভৰা চকু হালিৰে বহুত কথাকেই কৈ পেলাব খোজে! তাৰ হাঁহি উঠে—মৰমত জিনৰ গলধনত সি হাত ফুৰাই দিয়ে—কাণ-লেজ জোকাৰি জিন শান্ত হৈ পৰে।

দৰদী মাকে পুতেকৰ জখমবোৰ দেখি চাগৈ ক'ব—'নেলাগে বোপাই তুমি যুজলৈ যাব। মাটি আছে—খেতি কৰিলেই

আমাৰ ভাত মুঠি ওলাব।' দুৱাৰ চুকৰ পৰা জুপি থকা—লয়লা জনীয়ে তাক এইবাৰ এৰি নিদিবলৈ দৃঢ়-প্ৰতিজ্ঞ। উল্লাসত তাৰ বুকু ভৰি যায়।

মাকে তালৈ বুলি সাঁচিথোৱা চিৰা-পিঠা, মদনহঁতৰ খুটিৰপৰা অনা দৈ, দেউতাকে ৰঙজুলিৰপৰা অনা মালভোগ কল যতনাই তাক খাবলৈ দিয়ে। লয়লাৰ মাকে দি পঠিওৱা ঘৰতে পগোৱা গুৰ অকণমানো দিবলৈ নাপাহৰে। সৰু ভনীয়েক জনীয়ে টকৌ পাতৰ বিচনীখনেৰে মাখিবোৰ বিচি দিয়ে। মহা তৃপ্তিৰে সেইখিনি খাই সি লয়লাৰ কুঠৰী পায়গৈ। হাঁহি ভৰা চকুযুৰিৰে লয়লাই দিয়ে তাই অসীম হেঁপাহেৰে বৈ থোৱা ফুলাম গামোছাখন।

সি দেখে তাৰ লয়লাজনী যোৱাবাৰ দেখাতকৈ আৰু শুৱনি হৈ পৰিছে—পুৰঠ বুকুখন দেখি তাৰ ভাল লাগি যায়!

সি অহাৰ গম পাই তাক চাবলৈ চুবুৰীৰ লোকেৰে ঘৰ উপচি পৰে।

এই মৰমৰ বান্ধোন ছিঙি সি বাৰু কেনেকৈ আকৌ জুই-বোৰৰ মাজলৈ উভতি যাব!

বাৰীত থোকা থোকে জাহাজী চেনিচম্পা কল, ডালিম, মধুৰীআম, জামু, কৰদৈ—সকলোৱে যেন তাৰ প্ৰতীক্ষাতেই যোৱা বছৰটো বৈ আছিল! আজি তাক পায় প্ৰত্যেকেই যেন হেঁপাহ ভৰায় মৰমবোৰ উজাৰি দিছে!

সি দেখে গোহালিটোত দুবছৰৰ ভিতৰতে তাহানিৰ

চেউৰীজনী ডাঙৰ হৈ পৰিছে—দামূৰিবোৰ এতিয়া বলবন্ত গৰু। গোহালিৰ চালত আশ্ৰয় লোৱা ঘনচিৰিকাবোৰে তাক দেখি কিবা নুবুজা আৰাও কৰে! সি মুগ্ধ হয়—তাৰ দুখ লাগে এদিন এই সকলো বোৰৰ মৰম নেওচি সি যাবগৈ লাগিব। .....

দৈনিক হাজিৰাগিৰি কৰি বামলুৱে মাহেকত ডেৰকুৰিৰ পৰা দুকুৰিলৈ ধন আৰ্জ্জে। কিন্তু সি এসাজ হে খায়। কেতিয়াবা কামৰ ভিৰত সেই সাজো তাৰ খাবলৈ আহৰি নোলায়। কাপোৰ-কানিৰ আৱশ্যক তাৰ নোহোৱাৰ দৰেই। কেতিয়াবাই কোনোবা এটা পূজাত কিনি লোৱা কাপোৰ সাজেৰে তাৰ ভালদৰে চলিছে—পুহমহীয়া জাৰত সমুহীয়া জুইকুৰাৰ ওচৰতে ৰাতিটো কটায়। দিনত জাৰ-জহ উপলব্ধি কৰিবলৈ তাৰ অৱসৰ বা ক'ত? মাহেকত যি কেইটা টকা পায় সি প্ৰায় গোটেইখিনি পঠিয়াই দিয়ে তাৰ দূৰত থকা মৰমৰ পৰিয়ালটোলৈ। হয়তো বছৰটোত একোবাৰকৈ ৰেলৰ তৃতীয় শ্ৰেণীৰ ডবাত উঠি সি বিহাৰৰ কোনোবা এখন জিলাৰ কোনোবা এখন গাঁৱৰ কোনোবা এটা জুপুৰিলৈ যায়—য'ত সি আকাশে-বতাহে ঘৰে কোণে নৈয়ে জানে বিচাৰি পায় তাৰ প্ৰাপ্য কেচা মৰমবোৰ সোণৰ দৰে জ্বলি থকা।

বন্ধু-বান্ধবীৰ প্ৰতি—চুবুৰীয়াৰ প্ৰতি আসক্তিৰ উঁহ এই মৰমেই নহয় জানো?

জন্তু-জগততো আমি ইয়াৰ দৃষ্টান্ত যথেষ্ট পাওঁ। বুকুত পোৱালী লৈ গছৰ ডালে ডালে বগাই ফুৰা বান্দৰ কেইটাই, বহু

পৰলৈ পোৱালী নেদেখি হেম্বেলিয়াই থকা খীৰতী গাইজনীয়ে, উমনি দিয়া হাঁহ-কুকুৰাই আপোনাৰ চকুৰ আগত পাতি ধৰিব এখন পৱিত্ৰ ছবি।

"প্ৰিয়ক নেপাই বসন্ত শুকাই
আনৰ মৰমে চকুলো বোৱায়
ধুমুহা আন্ধাৰ ভাল লাগি যায়
দোভাগ নিশাটো গীতকে গায়
বিহ-শেতেলিত কত দয়িতাক
কটাওঁ মৰম কৰি।"

মৰম! তোমালৈ জিন্দাবাদ।

স্মৃতি—তুমি চিৰ সুন্দৰ

সৌৱে আকাশত নীলা বোল বোৰ আছে তাত চোৱা—দেখিবা স্মৃতিৰ অযুত তাৰকা জ্বলিয়েই আছে। দিগন্তলৈ বিয়পি থকা লুইতখনৰ বুকুত চোৱা—হাজাৰ স্মৃতিৰ পদুম ভাঁহিবই লাগিছে। প্ৰভাকৰৰ উজ্জ্বল জ্যোতিত তিৰবিৰাই থকা দূৰণিৰ সেউজীয়া গিৰিমালালৈ দৃষ্টি দিয়া—দেখিবা স্মৃতিয়ে তোমাক হাত বাউল দি মাতিছে। তুমি থিয় হৈ থকা মাটিখিনিৰ বুকুত চোৱা—ইয়ো তোমাক দিব স্মৃতিৰ শত সমিধান।

বৰ নৈৰ পাৰত বছৰ জুৰি শত ধুমুহাৰ প্ৰলয় নাচোনৰ তাণ্ডৱ নৃত্যক নেওচি থিয় হৈ থকা বুঢ়া তেতেলি জুপিয়ে তোমাক ক'ব—লুইতৰ পাৰৰ ধুনীয়া স্মৃতিভৰা সাধুবোৰ। তেতেলি জুপিৰ ওপৰত বংশানুক্ৰমে ঘৰ পাতি থকা কাউৰি-কিটাৰ পৰাও তুমি পাবা স্মৃতিৰ সঁফুৰা।

লুইতৰ পাৰৰ শত বাৰিষাৰ নিঠুৰ পৰশ পোৱা সেই যে অৱজাৰভেটৰী—ই জানো স্মৃতিৰ জ্বলন্ত প্ৰতীক নহয়?

জীৱনৰ অস্তমিত পৰত তুমি লুইতৰ পাৰত বহি লুইতৰ বুকুত বাগৰি থকা উৰ্ম্মিমালাৰ মাজত অতীতৰ দাপোন দেখা পোৱা। এটি এটিকৈ কত শত স্মৃতিৰ উৰ্ম্মিমালা বাগৰি যাব—

তোমাৰ সন্মুখেদি। তুমি আহিছিলা এই ঘাটলৈকে, এই সন্মুখত বৈ থকা নাওবোৰতে হয়তো তুমি তোমাৰ বন্ধুইতৰ সতে জপিয়াই ফুৰিছিলা! জালোৱাই জাল দিবলৈ পুতি থোৱা বাহঁবোৰতে মাছলৈ বুলি খাপ লৈ থকা চিলনীবোৰক কতদিন ধৰিবলৈ চেষ্টা কৰি ব্যৰ্থ-মনোৰথ হৈছিলা। আইতাৰ পৰা খুজি অনা পইচা চাৰিটাৰে এসেৰ বা তাতোকৈয়ো অধিক পুঠিমাছ কিনি এই লুইতৰ পাৰতে কত দিন বন্ধুইতৰ সতে জুইত সেঁকি অসীম তৃপ্তিৰে খাইছিলা।

কোনোবা এটা শৰতৰ—কোনোবা এটা আহিনৰ—কোনোবা দিনাৰ দেৱী বিসৰ্জ্জনৰ সময়ত তুমি এই লুইতৰ বুকুতে দ্ৰুতগামী সোঁতৰ বুকুত উটি গৈছিলা! ৰক্ষা পালা ভাগ্যক্ৰমে। আজিও সেই কথা মনত পৰিলে ভয়ত গা শিঁঙৰি উঠে।

লিচু আম জাম যাৰ বাৰীত—তালৈ যোৱাত তোমালোকক কোনেও নিষেধ কৰিব নোৱাৰিছিল। আইতাই হাতত তুলি দিয়া আমটুকুৰাতকৈ লোকৰ ঘৰৰ পৰা চুৰ কৰি অনা আমটোৰ সোৱাদ যেন বহুত বেছি আছিল। এইদৰে চুৰ কৰিবলৈ গৈ কতদিন কাঁইটৰ আচোৰত শৰীৰ তোমাৰ হয়তো হৈ পৰিছিল ৰক্তাক্ত। বাৰীয়ে বাৰীয়ে আইতাৰ পূজাৰ কাৰণে ফুল চুৰ কৰাটোও এটা দৈনিক অপৰিহাৰ্য্য কাম আছিল তোমাৰ। আইতাই অৱশ্যে চুৰ কৰিবলৈ তোমাক কোনোদিনেই কোৱা নাই। তথাপি লোকৰ বাৰীত ফুলি থকা তগৰ-চম্পা-কেতেকী-

খিনি চুৰ কৰি নানিলে যেন তোমাৰ মনটোৱেই শাত নালাগে। সেই গছ কিজুপিৰ তুমি আৰু তোমাৰ সমনীয়াইত হয়তো বৰ আপোন হৈ পৰিছিল। তোমাৰ মৰহা অতীতটোৰ হাহিৰ ফাকুবোৰ যেন এই বিৰিখৰ ডালে পাতে বিৰিঙি আছে।

নেতাই ধুবুনী ঘাটৰ সেই শিলছটাত বহি তুমি কত দিনেই বৰশীৰে মাছ ধৰা ধেমালি উপভোগ কৰিছিলা। কেতিয়াবা লুইতৰ বুকুত চন পৰি গজি উঠা সেউজীয়া বননি আৰু কহুৱা ফুলেৰে উপচি থকা অকণমান দ্বীপটোলৈ পমুৱাৰ নাৱত উঠি যোৱা দৃশ্যটো আজিও যেন তেনেই সৰস। এৰা, ঠিক সেই বালিখিনিতেই তাহানি পমুৱাটোৱে তাৰ ঘৰ বান্ধিছিল। হেমন্তৰ কুৱলী ভেদ কৰি অহা সূৰুযৰ ৰঙালী আভাত তাৰ পঁজাটো জিলমিলাই উঠিছিল প্ৰায় প্ৰতিদিন পুৱা। হেমন্ত আৰু শীতকালটো সি তাৰ লৰা-তিৰোতাক লৈ মনৰ সুখেৰে অতিবাহিত কৰি থাকোঁতেই বসন্তও শেষ হওঁ হওঁ হ'ল। বমাই লুইতৰ বুকুত তাণ্ডৱ নৃত্য কৰি খলকনি তুলিলে। মহা-জনক বেচিবলৈ থোৱা মৰাপাট হয়তো তাৰ তেতিয়াও বাকী! এডোখৰ এডোখৰকৈ মাটি লুইতৰ বুকুত বিলীন হ'ল। সি যুজি থাকিল—বহাগ-জেঠ—আহাৰ-শাওন; ভাদৰ প্ৰাৰম্ভণিত তাৰ জুপুৰীও নেদেখা হ'ল—সন্ধিয়া লুইতৰ মাজত জ্বলি থকা তাৰ গৃহৰ বন্তিও নুমাল—সি বাৰু কলৈ গ'ল?

পৃথিবীত যদি কিবা ধুনীয়া বস্তু আছে, তেন্তে সেয়া স্মৃতি। স্মৃতি আছে বুলিয়েই তাজমহলটো ইমান ধুনীয়া। আজিও

যেন প্ৰিয়া মমতাজৰ প্ৰেমসনা চকুযুৰিয়ে কাৰাৰুদ্ধ চাজাহানলৈ বৰ করুণ দৃষ্টিৰে চাই আছে। আৰু চাজাহান! আবেগভৰা চাৱনিৰে, ব্যাকুলতাভৰা প্ৰেমেৰে দুই বাহু মেলি মমতাজক আলিঙ্গন কৰিবলৈ আহি যেন স্তব্ধ হৈ যায়—ধৰিব নোৱাৰি।

স্মৃতিৰ বুকুত আজি শতাব্দী জুৰি থিয় হৈ আছে সেই শিৱদ'ল, বিষ্ণুদ'ল, দেৱীদ'ল। সতীৰ তেজেৰে প্লাবিত জেৰেঙা আজিও অতি চেনেহৰ! দ'ল কিটাৰ দেৱালত শেলুৱৈৰে পৰিপূৰ্ণ—জ্যোতি কলচীৰ পৰা বাগৰি নাহে—কিন্তু স্মৃতি? ইয়াৰ ওপৰত নগজিব কোনোকালে শেলুৱৈ—ম্লান নহ'ব ইয়াৰ আভা। ই চিৰ উজ্জ্বল। স্মৃতিৰ দ'লত জ্বলি থাকিব অতীত গৰিমাৰ অম্লান কলচী। স্মৃতিৰ দ'ল ভেদ কৰি চোৱাচোন বুদ্ধ-যীশু-মহাত্মাই আজিও জ্ঞানৰ বন্তিৰে কোটী কোটী জনতাক পথ দেখুৱাইছে! মণিৰাম পিয়লি কুশলৰ স্মৃতিক লৈ আই অসমী তথা ভাৰতী গৰীয়ান।

তুমি যেতিয়া কঠিন ৰোগত আক্ৰান্ত হৈ কোনোবা এটা চিকিৎসা গৃহত অৱৰুদ্ধ আছিলা, তেতিয়া স্মৃতিয়ে তোমাৰ বিৰহ বেদনা লঘু কৰা নাছিলনে?

স্মৃতি আছে বুলিয়েই জৰ্জ্জ বাৰ্ণাড শ্ব, ওৱৰ্ডচওৱৰ্থ, বাইৰণ, শ্বেলী, মিল্টন, নিউটন, নেপোলিয়ান ইত্যাদি মহাপুৰুষসকলৰ বিভিন্ন প্ৰতিভা লয় হোৱা নাই।

মহান লিখক ছেক্সপীয়েৰৰ স্মৃতিক কেলভিন হফমেনে নিষ্প্ৰভ কৰি দিবলৈ যি প্ৰচেষ্টা চলাইছে ই সঁচাকৈয়ে বুকুভঙা

কথা। নিষ্ফল হওক তেওঁৰ প্ৰচেষ্টা। স্মৃতিৰ কিবা দিশ আছেনেকি নাজানো, কিন্তু মানুহৰ অন্তৰৰ নিভৃত কোণত স্মৃতিৰ কাৰণে এখন বিৰাট দেশ আছে—ইয়াক বাক্ কোনে নুই কৰিব ? নহলেনো কবিয়ে কয়নে—

"তাই আজ ধৰা তলে
বসন্তেৰ আনন্দ উচ্ছাসে
কাৰ চিৰ বিৰহেৰ
দীৰ্ঘশ্বাস মিশে ব'হে আসে,
পূৰ্ণিমা নিশীথে যাবে
দশদিকে পৰিপূৰ্ণ হাসি
দূৰ স্মৃতি কোথা হতে
বাজায় ব্যাকুল কৰা বাঁশি
ঝৰে অশ্ৰু ৰাশি !"

স্মৃতি—তুমি চিৰ সুন্দৰ !

সঙ্গীত—তুমি কোন জগতৰ ?

সঙ্গীতৰ বিষয়ে আলোচনা কৰিবলৈ মোৰ অধিকাৰ বোধ-কৰোঁ নাই। কাৰণ নীৰস গতানুগতিক জীৱন পথত মই আগ বাঢ়িছোঁ। বাস্তৱ সংগ্ৰামেৰে ভৰা মোৰ জীৱন। মোৰ জীৱন সংসাৰৰ বাস্তৱ-জীৱনত সাতোৰ খায় আছে। ইয়াৰ পৰা মই কোনোমতেই ওলাব নোৱাৰো। সংসাৰ পথত আগবাঢ়োতে কেতিয়াবা কৰবাৰ পৰা ভাহি অহা সুৱলা—কিবা নজনা ভাষা—কিবা নজনা ছন্দ—কিবা নজনা সুৰ শুনো, তেতিয়া মই এই জগতখনত থাকি একোবাৰ চক খায় উঠো। হয়তো ভাবো—ক'ত সেই দেশ ? কি তাৰ সুৰ ? কেনে তাৰ ছন্দ ? এই সুললিত কণ্ঠই বা আহিছে ক'ৰ পৰা ? গিৰিমালাৰ বুকু ভেদি অহা পাহাৰী নিজৰাটিৰ কুল-কুল গীতকো চেৰ পেলোৱা এই গায়ক বা গায়িকাৰ ৰূপ চাবলৈ মোৰ প্ৰাণ ব্যাকুল হয়—মোৰ এই প্ৰশ্নবোৰৰ উত্তৰ অৱশ্যে কোনোবাই দিব পাৰিব ! কিন্তু সেই সুৰবোৰৰ লয় থকা দেশখনৰ সন্ধান মোক কোনেও দিব নোৱাৰিব। শুনিলে শুনি থাকিবৰ মন যায় এই সুৰ। কেতিয়াবাই শুনা এটা গীতৰ ছন্দই হয়তো আজিও মোৰ বুকুত খলক লগাইছে। গীতটো মোৰ স্মৃতিপটৰ পৰা বিলোপ

হৈছে। গায়িকাৰ ৰূপটোও মোৰ দৃষ্টিপটত অস্পষ্ট হৈ আহিছে; কিন্তু সেই অপূৰ্ব্ব সুৰবোৰ! হয়তো মোৰ বুকুত আজিও ওলাব। কোনোবা নেদেখা এখন ৰাজ্যৰ সেই সুৰ।

তাহানি সঙ্গীত-প্ৰেমিক সম্ৰাট আকবৰৰ ৰাজসভাত থকা শ্ৰেষ্ঠ গায়ক তানসেনৰ গীতত বলীয়া হাতীয়ে বশ মানিছিল— কোনোবাই বিশ্বাস কৰিবনে ? বিশ্বজগতত সঙ্গীত প্ৰতি প্ৰাণীৰ অতি আদৰৰ। নহলেনো বংশীওৱালাই তাৰ ভোটোকা বাঁহীটোত ফু-দিয়াৰ লগে লগে সঙ্গীতৰ তালে তালে ভয়ঙ্কৰ ফেটী-সাপো ফনা তুলি নাচেনে ?

সম্ৰাট আকবৰৰ একমাত্ৰ জীয়েকে কঠিন ৰোগত অক্ৰান্ত হৈ মৃত্যুৰ লগত যেতিয়া যুঁজি যুঁজি ভাগৰি পৰিছিল— তেতিয়া তানসেনেই দীপক ৰাগিণীৰে সম্ৰাট-কন্যাৰ জীৱন দান দিলে। সম্ৰাটৰ মৰণমুখী কন্যাই জীৱন পালে। পৃথিৱীৰ বুকুত নিজৰি পৰা প্ৰভাকৰৰ জ্যোতি আকৌ দেখা পালে। পৃথিবীৰ বুকুত বাগৰি থকা অনন্ত সঙ্গীতৰ সুৰ আকৌ শুনিবলৈ পালে—মৰম চেনেহৰ মাতেৰে আকৌ সম্ৰাট-দুহিতাৰ বুকু ভৰি পৰিল! কিন্তু বিনিময়ত তানসেন আগবাঢ়ি গ'ল মৃত্যুৰ দুৱাৰ-দলিলৈ। দীপক ৰাগিণীয়ে তানসেনৰ কলিজা পুৰি নিলে— জীৱনৰ বন্তি নুমাওঁ নুমাওঁ হোৱাৰ পৰত—প্ৰেমিকা টানি বিহ্বল হৈ গাবলৈ ধৰিলে বুকু-ভৰা গান—যি গানে তানসেনৰ পোৰা ঘাবোৰ শুকুৱাই নিলে। এয়ে আছিল তানসেন আৰু টানিৰ গীতৰ মাহাত্ম্য। তানসেনৰ গীতৰ প্ৰভাৱত অকালত

ধৰালৈ নামিছিল বসন্ত—অকালত কোকিলে ডালত পৰি গীত গাহিছিল—প্ৰকৃতিও সঙ্গীতৰ অধীন এই কথা তানসেনে প্ৰমাণ কৰি থৈ গৈছে।

তাহানি যমুনা পাৰত বাঁহী বজাই ভগবান কৃষ্ণই গোপীনীৰ প্ৰাণ মন উতলা কৰাৰ কথা কোনে নাজানে? যমুনা পাৰৰ পৰা অহা সেই অপূৰ্ব্ব সুৰৰ পম খেদি যৰে বন ত'তে পেলাই বুঢ়ী ডেকেৰী সকলো মহিলাই আগবাঢ়ে—সেই সুৰৰ পিনে। এনেদৰে গৃহৰ বন অবজ্ঞা কৰি—অভিভাবকৰ অবাধ্য হ'লে—পাছত কি কৈফিয়ৎ দিব এই কথা ভাবিবলৈকো অবসৰ নাথাকে। সঙ্গীতে মানুহৰ অন্তৰত সিন্ধি দি মনটো হৰণ কৰি লৈ যায়।

দিনটোৰ অক্লান্ত পৰিশ্ৰমৰ পাছত যেতিয়া ভাগৰুৱা মন লৈ আপুনি ঘৰলৈ ওভতে—সেই সময়ত যদি আপুনি এটি সুললিত গীত শুনে, তেন্তে আপোনাৰ ভাগৰ কৰবালৈ যাব।

সঙ্গীতে মন কোমল কৰে। মই সেই সঙ্গীতৰ কথাহে কৈছো—যি সঙ্গীত প্ৰতিযোগিতা উপলক্ষে গোৱা নহয়। গীত যি গায়—যাৰ কণ্ঠৰপৰা অপূৰ্ব্ব সুৰ বাগৰি আহে, সেই অন্তৰখন নিশ্চয় মাখনৰ দৰে কোমল—মৌৰ দৰে মিঠা।

মানুহে দুখত গান গায়—দুখত গান শুনে। দুখ দূৰ কৰাৰ সহজ উপায় গান শুনা। কিন্তু ভো-ভো পো-পো কৰি যদি কোনোবাই কাণ তাল মাৰি যোৱাকৈ হাৰমনিয়াম বজায়,

আৰু ছন্দহীন, লয়হীন, ভাষাহীন ভাবে যদি গান গায়, তেন্তে সেই সঙ্গীতে আপোনাৰ যন্ত্ৰণা বাহুল্য হে কৰিব।

মাইকবোৰৰ যোগেদি—বিয়া-উৎসৱ-চিনেমা আদিৰ যি গান প্ৰদৰ্শন হয়—ই সঁচাকৈয়ে এটা লজ্জাকৰ কথা।

পৃথিবীত গান ভাল নোপোৱা মানুহ কমেই হে আছে। আমি বুৰঞ্জীৰ পাত লুটিয়ালে প্ৰথম বাৰলৈ ইয়াৰ দৃষ্টান্ত পাওঁ—সম্ৰাট আওৰঙ্গজেৱ। সম্ৰাট আওৰঙ্গজেৱৰ ৰাজত্বকালত সঙ্গীতৰ প্ৰায় সমাধি হৈছিল বুলি শুনা যায়।

এখন ছায়াচিত্ৰ আপুনি দেখিছেনে য'ত এটি গীত নাই ? আৰু থিয়েটাৰ ? ভাওনাত বাৰু গীত নাইনে ? সঙ্গীতৰ পৰা দৰ্শক আকৰ্ষিত হয় বেছি; সেয়ে সঙ্গীতে এইবোৰত আদৰ পায়। কিন্তু আজিকালি যি অনুপাতে এই অনুষ্ঠানবোৰত সঙ্গীতৰ ব্যৱহাৰ হোৱা দেখা যায়, ই সঁচাকৈয়ে শোভনীয়ও নহয়—লোভনীয়ও নহয়। কেচুৱাক শুৱাবলৈ মাকে গুণগুণাই নাম গায়—তাহানি যশোদায়ো ধূৰ্ত্ত কৃষ্ণক শুৱাবলৈ নানান নাম গাইছিল—নাম হলেও সি দেখোন সঙ্গীতৰ এটা ৰূপ ! সবাহত নাম গায়—ইয়ো জানো সঙ্গীত নহয় ? মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱে সঙ্গীত ভাল পাইছিল বাবেই থৈ গ'ল কীৰ্ত্তন-ঘোষা আৰু বৰগীতৰ শুৱলা গ্ৰন্থৰাজি আৰু অমিয়া সুৰবোৰ।

অন্ধ ভিখাৰীটোৱে গৃহস্থৰ দুৱাৰে দুৱাৰে গীত গায়—সি জীয়াই থকাৰ সংগ্ৰাম কৰে সঙ্গীতেৰে। অন্ধ ভিখাৰীটোৰ অন্তৰ ভৰা অৰ্ঘ্যত হয়তো মানৱৰ অন্তৰৰ কোনোবা এখন

কোমল পৰ্দা কঁপাই তোলে—সেয়ে—সি জীয়াই থাকিব পাৰে।

সঙ্গীতৰ প্ৰভাৱ সৰু বৰ সকলোতে বিৰাজমান। আমাৰ মঘাই ওজাৰ কথা কোনোবাই নজনাকৈ আছেনে? মঘাই ওজাই যিবোৰ কথা মুখেৰে কৈছিল সেইবোৰকে আমি তেওঁৰ ঢোলটোৰ পৰাও শুনিবলৈ পাওঁ। তেওঁৰ প্ৰত্যেক অঙ্গৰ পৰশত বাজি উঠিছিল ঢোলটো অপূৰ্ব্ব ছন্দেৰে।

নিজৰ প্ৰতিভাৰ বলত মঘাই ওজাই দেশ বিদেশ ভ্ৰমণ কৰি বিভিন্ন স্তৰৰ মানুহৰ অন্তৰত বিলাই থৈ আহিল তেওঁৰ ঢোলটোৰ অপূৰ্ব্ব মহিমাবোৰ।

সঙ্গীত কণ্ঠৰ বাহিৰেও বিভিন্ন বাদ্যযন্ত্ৰৰ পৰা মানুহে শুনিবলৈ পায়। ইয়াক বিকাশ কৰিবলৈ, ইয়াত সিদ্ধি লাভ কৰিবলৈ লাগে সাধনা। ইউৰোপত এজন পণ্ডিতে কৈছে—'অন্তৰৰ পৰা যি সঙ্গীত বৈ আহে সেয়ে হৈছে সঙ্গীতৰ শ্ৰেষ্ঠ ধাৰা।' আৰু এজন জ্ঞানী লোকে কৈছে—'সঙ্গীতে আমাক মুগ্ধ কৰে। কিন্তু কিয় মুগ্ধ কৰে ক'ব নোৱাৰো। আমাৰ চকুলো বাগৰি পৰে, কিন্তু তাৰ কাৰণ কি আমি ক'ব নোৱাৰো, স্মৃতিশক্তিৰ পৰা উদ্ভৱ হোৱা কোনো অৱস্থা বিশেষৰ সঙ্গীত ভাষা নেকি? সঙ্গীতৰ দৰে আন কিহবাই অন্য জগতৰ তীব্ৰ অনুভূতি প্ৰাণত জাগ্ৰত কৰিব পাৰেনে?' আৰু এজনে কৈছে—'সঙ্গীত দেৱলোকৰ ভাষা।'

এই মতভেদ থাকিও সঙ্গীতৰ কাৰণে শিল্পীসকলে এনে এখন

জগত নিৰ্ম্মাণ কৰিছে য'ত থাকিব মাথোঁ সঙ্গীতৰ মূৰ্চ্ছনা—ইয়াত ফুলা ফুলবোৰৰ পৰা আহিব মৃদু ৰাগিণী—তৰুৰাজিৰ পৰা আহিব সুৰৰ মৃদু সমীৰণ—ইয়াৰ বাৰিধিত বাজিব জলতৰঙ্গ—আৰু বিহঙ্গই গাব—নানা সুৰে—নানা ছন্দে—গীত—মেঘমালাই তালে তালে কৰিব অপূৰ্ব্ব নৃত্য—তৰাই গাঠিব মালা—আৰু মানৱে ? মানৱে শুনিব সেই গান অন্তৰ ভৰি।

প্ৰণমো তোমাক হে বিবেক

তুমি জানানে তোমাৰ জীৱনৰ ডিঙা নিৰাপদে পৰিচালনা কৰাৰ ভাৰ বিবেকৰ ওপৰত অৰ্পিত আছে।

বিবেকেনো কেতিয়া কোন চনত কোন মাহত কোন তাৰিখে কাৰ পৰা মানৱৰ ওপৰত এনে অধিকাৰ পালে নাজানো। কিন্তু দৈনন্দিন জীৱন যাত্ৰাত আমি প্ৰতি মুহূৰ্ত্তে উপলব্ধি কৰো বিবেকৰ আমাৰ ওপৰত থকা প্ৰভাৱৰ কথা।

বিবেক কাৰ নাই? যি উন্মাদ—যাৰ মগজু বিকৃত হৈ গৈছে—তেওঁ সংসাৰত সকলো বস্তুকে একে দেখে—নহলেনো চলন্ত ৰেলগাড়ীৰ সন্মুখত শুই থাকি উন্মাদ জীৱনৰ যৱনিকা পেলায়নে? আৰু অকণমান শিশুটি—তাৰ মগজু পূৰ্ণ নোহোৱালৈকে সি হৈ থাকে বিবেকহীন!

বিবেক দেখিবলৈ আকাশৰ সোণালী ৰেখাৰে আবৃত শুভ্ৰ মেঘখিনিৰ দৰে উজ্জ্বল নে নতুনকৈ বৰষুণৰ পানী পৰি গজি উঠা কেচা সেউজীয়া ঘাঁহনি দৰাৰ দৰে সেউজীয়া নে আঘোনৰ পথাৰত পকি থকা সোণালী ধান খিনিৰ দৰেই সোণোৱালী নাজানো—হয়তো ই হ'ব পাৰে পূৱৰ উদয়গামী সূৰ্য্যৰ দৰে ৰঙা—মৃদু ইয়াৰ আভা, নহয়তো ই হ'ব পাৰে পূৰ্ণিমাৰ জোনটোৰ

দৰে উজ্জ্বল স্নিগ্ধ। প্ৰকৃততে ইয়াৰ ৰূপ কি নাজানো। কিন্তু তুমি চকু মুদি বিবেকৰ ৰূপটো ভাবাচোন—দেখিবা তোমাৰ অন্তৰৰো অন্তৰৰ এটি নিভৃত কোণত শুভ্ৰবস্ত্ৰ পৰিধান কৰি এজন উজ্জ্বল বৰ্ণৰ মহাঋষি গভীৰ ধ্যানত নিমগ্ন। তুমি কিবা সমস্যাৰ সন্মুখীন হৈ তেওঁৰ ওচৰত শৰণাগত হোৱা—দেখিবা তোমাৰ সমস্যাৰ সমাধান হৈ গৈছে। হয়তো এনেদৰে তোমাৰ সমস্যা সমাধান হৈ যোৱাত তুমি নিজেই আচৰিত হৈ যাবা।

মানৱক সকলো ৰকমৰ বিপদ-আপদ বিঘিনিৰ পৰা ৰক্ষা কৰিবলৈ সৃষ্টিকৰ্ত্তাই তাৰ অন্তৰত বিবেকক থাপনা কৰিলে। নিজক সকলো ৰকমৰ বিপদৰ পৰা উদ্ধাৰ কৰিবৰ সময়ত তুমি বিবেকৰ পৰিচালনা মানি লোৱা। দেখিবা তুমি জয় চিৰদিনেই লভিবা।

কিন্তু ভুলেৰে ভৰা মানুহৰ জীৱন। অহঙ্কাৰী মনটোৱে বিবেকৰ শৰণাগত হবলৈ আগ নাবাঢ়ে—সেয়ে পৃথিবীলৈ আহি যায় অশান্তিৰ ফিৰিঙতি বোৰ।

অতীত যুগত আমি পঢ়ি অহা কুৰুক্ষেত্ৰৰ মহাৰণ হ'বলৈ পালে কিয়? ভাই-ককায়ে ৰাজ্যলাভৰ আশাত নিজৰ আত্মীয়-স্বজন হত্যা কৰি ৰক্তৰ নৈ বোৱাই দিলে। বিদুৰ প্ৰভৃতি গুৰুজন সকলৰ উচিত পৰামৰ্শ পোৱাৰ পাচতে ৰজা দুৰ্য্যোধনে যদি সেই মহাঋষি জনাৰ কাষ চাপিলেহেঁতেন, তেন্তে নিশ্চয় এনেকুৱা হ'বলৈ নাপালেহেঁতেন! আৰু ৰামায়ণৰ ভোটা তৰাৰ দৰে জ্বলি থকা ৰজা দশৰথৰ প্ৰিয়তমা পত্নী কৈকেয়ীয়ে

যদি বিবেকৰ ওচৰত বশ মানিলেহেঁতেন তেন্তে নিশ্চয় ৰাম-ৰাৱণৰ যুদ্ধ নহলহেঁতেন, অকালতে তেওঁ বৈধব্য বৰণ কৰিব নালাগিলহেঁতেন আৰু সতী সীতাৰ লগত কেতিয়াও ৰামচন্দ্ৰৰ বিচ্ছেদো নহলহেঁতেন। ৰোমিও জুলিয়েটৰ অভিভাৱক আৰু অভিভাবিকা সকলে যদি বিবেকৰ কথা মানি লৈ দুয়োৰে' বিবাহ দিলেহেঁতেন, তেন্তে কেতিয়াও এনে শোক লগা অৱস্থা নাপালেহেঁতেন! তেনেকুৱা বিবেকহীন কাৰ্য্যৰ কাৰণে কিমান ৰোমিও জুলিয়েটৰ অপমৃত্যু হৈছে তাৰেই বা উৱাদিহ ৰাখিছে কোনে? ইংলণ্ডৰ ভূতপূৰ্ব্ব সম্ৰাট অষ্টম এডৱাৰ্ডলৈ কেতিয়াবা তোমালোকৰ মনত পৰেনে? বৃটিছ সাম্ৰাজ্যৰ সিংহাসনত যেতিয়া সম্ৰাট অষ্টম এডৱাৰ্ড, তেতিয়া প্ৰণয় সূত্ৰত বান্ধ খালে এগৰাকী বয়োবৃদ্ধা মহিলা ছিম্পছনৰ লগত। পূৰ্ব্বে একাধিক-বাৰ বিবাহ বিচ্ছেদৰ কলঙ্ক কালিমা সানি লোৱা এই মহিলা গৰাকীক সম্ৰাটে বিয়া কৰাবলৈ যাওঁতে ইংলণ্ডত গোড়া ধৰ্ম্ম-যাজক সকল জিকাৰ খায় উঠিল। সেই কাৰণে বৃটিছ সিংহাসনৰ মোহ নেওচি তেওঁ জনসাধাৰণৰ মাজলৈ নামি আহিবলৈ ব্যাকুল হ'ল। ডেকা সম্ৰাটৰ চকুৰ আগত বিৰিঙিল এফালে চিক-মিকিয়া মুকুট, হীৰা খটোৱা ৰাজদণ্ড আৰু সোণ-ৰূপেৰে বন্ধোৱা ৰাজসিংহাসন আৰু এফালে বিৰিঙিল ছিম্পছনৰ ধুনীয়া চকুযুৰি প্ৰণয়-আবৃত্ত শুৱনি আৱৰণহীন পোচাকটিৰে সৈতে ছিম্পছনৰ মুখমণ্ডল!

জীৱনৰ এনে চৰম মুহূৰ্ত্তত হয়তো ইংলণ্ডেশ্বৰ বুকুৰ ভিতৰৰ

সেই মহাঋষি জনাৰ কাষ চাপিল আৰু মহাঋষিৰ পৰামৰ্শ অনুসাৰেই হাঁহি হাঁহি অমূল্য সম্পদ থেলি নামি আহিল ছিম্প-ছনৰ কাষলৈ। যুগ-যুগান্তৰলৈ প্ৰেমৰ এই জ্বলন্ত বন্তি জ্বলি থাকিব।……

হয়তো সম্ৰাটে সাজিব পৰা নাই তাজমহলৰ দৰে প্ৰেমৰ সৌধ—কিন্তু সম্ৰাটে অভাবনীয় ত্যাগৰ আদৰ্শৰে যি সৌধ নিৰ্ম্মাণ কৰিলে সি হাজাৰ তাজমহলতকৈয়ো শুৱনি।

আমাৰ মহাত্মা গান্ধীলৈ চাওক—তেওঁৰ জীৱন-দৰ্শনত বিচাৰিলে আমি কি পাম? বৃটিছ সিংহৰ তৰ্জ্জন গৰ্জ্জনক নেওচি—কঠোৰ কাৰাৰুদ্ধ জীৱনৰ যন্ত্ৰণা ভুগি মাথো সত্যকেই পথ বুলি আকোঁৱালি লব পাৰিছিল কিহৰ বলত? এই বিবেক আছিল বুলিয়েই তেওঁ সমগ্ৰ পৃথিৱীক স্তম্ভিত কৰি তুলিব পাৰিছিল।

জ্ঞানীপুৰুষ 'ক্ৰেৰে' কৈছে—বিবেক মানুহৰ পৰম বিশ্বাসী বন্ধু। বাইৰণে কৈছে—মানুহৰ বিবেক ঈশ্বৰৰ বাণী। টমাচ এ, কেম্পিছে কৈছে—যাৰ বিবেক পবিত্ৰ তেওঁ সহজেই সন্তোষ হয়। আগষ্টাইনে কৈছে—সুবিবেক হৈছে ভগবানৰ ৰাজ-প্ৰাসাদ, পবিত্ৰ আত্মাৰ মন্দিৰ। জীৱন যুদ্ধেৰে ভৰা মানৱৰ জীৱন। আমি মানুহ ভগবানৰ সন্তান। এই সন্তান সকলক নিৰাপদে ৰাখিবলৈ ভগবানে বিবেকক সহায় স্বৰূপে লগত দিছে—কিন্তু আমি পাহৰি যাওঁ ভগবানৰ এই অশেষ দয়াৰ কথা। সেয়ে মানুহে জ্বলাই দিয়ে জুই—পৃথিৱীত ৰণ-দামামা

বাজি উঠে অভ্ৰভেদী। দেশৰ পিছত দেশ উচ্ছন্ন যায়। ৰণৰ জুই যেতিয়া নুমায়, দেখোঁ কেউপিনে মাথোঁ নৰকঙ্কাল—ঘূর্ণিয়া সৈনিক—শুনোঁ বিধবাৰ বুকু ভৰা কান্দোন—শিশুৰ বিননি আৰু পুত্ৰহাৰা জননীৰ আকুল ক্ৰন্দন।

তেন্তে? তেন্তে বিবেকৰ সহায় আমি নলওঁ কিয়?

বিবেকৰ পৰিচালনা মানি সংসাৰ সমুদ্ৰত তোমাৰ জীৱনৰ তৰী এৰি দিয়া—দেখিবা তুমি চিৰদিন পদুমণিৰ মাজেদিয়ে গৈ থাকিবা।

মহাকালৰ আমন্ত্ৰণ

সংহিতা মোৰ ওচৰলৈ আগবাঢ়ি আহিল। তাইক বহুত দিনৰ মূৰত দেখিলো। অতীতৰ হাজাৰ স্মৃতি সংহিতাৰ লগত মোৰ গঠা আছে। সৰুৰে পৰা তাইৰ অমায়িক ব্যৱহাৰত মই মুগ্ধ হৈছিলো—আৰু তাইৰ এই অতিশয় বিনয় ব্যৱহাৰৰ সুবিধা লৈ মই তাইক নানান ধৰণে জুলুম দিছিলো।

আহিন মহীয়া যেতিয়া সুৰভিহঁতৰ ঘৰত তলসৰা শেৱালি আহৰণ কৰিবলৈ তাইক মাতিছিলো তাই ইতস্ততঃ কৰিলেও আহিছিল। তাই শেৱালি ভাল পায়—কিন্তু মৰহা শেৱালি নহয়। তাইক লাগে—গছৰ পৰা তেতিয়াই পাৰি দিয়া শেৱালি। কিন্তু সংহিতাই মোৰ ওচৰত চিৰদিন বশ মানিছিল।

বহুত দিনৰ পাছত দেখা কাৰণেই নেকি তাইক মই খীণ আৰু শেতা দেখিছিলো। তাইৰ এই শেঁতা ৰূপ পূৰ্ব্বে দেখা মনত নাই। চকুৰ মণিকিটা তহ্‌তহ্‌কৈ জ্বলিছে। পিন্ধনত এজোৰ শুভ্ৰ ৰিহা মেখেলা—চুলিকোচা কিমান দীঘল ক'ব নোৱাৰো—কিন্তু যি অংশ দেখা পাইছিলো সেই অংশ বগা যেন দেখিছিলো।

তাই কোঠাটোলৈ সোমাই অহাৰ লগে লগে জোৰেৰে ৰৰ

চেঁচা বতাহ সোমাই আহি মোৰ শৰীৰত কঁপনি তুলিছিল। তাই আহি এটা হাঁহি মাৰি মোৰ ওচৰতে বহিল। তাইক বৰ ক্লান্ত দেখিছিলো। তাই আহি মোৰ ওচৰত বহাৰ লগে লগে মই চিঞৰি উঠা যেন উপলব্ধি কৰিছিলো। তাই হঁহ হাঁহিটোত নাছিল জাগ্ৰত জীৱনৰ লীলা সপোনৰ মোহবোৰ' তাইৰ হাঁহিটোৱে কিবা আতঙ্কৰ কথা সোঁৱৰাই দিয়ে। তাইক ইমান শেঁতা দেখিলো মোৰ ওচৰলৈ আহি বহাত। তাইৰ ভৰিৰ খোজৰ কোনো শবদ নাছিল—কিযনো তাইৰ ভৰিত নাছিল জোতা।

মই ভাবিলো তাই মোৰ অসুখৰ কাৰণে খবৰ লবলৈ আহিছে। মোৰ খোটালীটোত আৰু কোনো নাছিল। তাই মোৰ ওচৰতে বহি মোৰ মূৰত চেঁচা হাতৰ পৰশ দিবলৈ ধৰিলে। মোৰ মনত ভয় লাগিল। মোৰ শৰীৰটো কেনেবা লাগিবলৈ ধৰিলে। ক্লোৰ'ফৰ্ম কৰাৰ প্ৰাৰম্ভণিতে মুখত তিতা কেহা লগাৰ দৰে মোৰো লাগিল।

মাজনিশা এইজনী কেলৈ আহিছে বাৰু? কিমান পৰ এনেকৈ দুয়ো কথা নোকোৱাকৈ আছিলো কব নোৱাৰো—মইতো তাইক সম্ভাষণ জনোৱা উচিত, কিন্তু কিহে জানো মোৰ কণ্ঠ ৰোধ কৰিছে মই ক'ব নোৱাৰিলো—একোকে। তাইয়ে প্ৰথমে আৰম্ভ কৰিলে; তাইৰ স্বৰটো বহু গিৰি গুহা বনজঙ্গল পৰ্ব্বত নদী সাগৰ মহাসাগৰ অতিক্ৰম কৰি অহা যেন লাগিছিল।

তাই কবলৈ ধৰিলে, "বুজিছ ৰূপলেখা, তই মোক দেখি ভয়

কৰিছ নহয় ? কাৰণ মোৰ স্পন্দনহীন চেঁচা হাতৰ পৰশত তই শিঞৰি উঠা মই উপলব্ধি কৰিছো। যি পথেদি মই আজি ছবছৰৰ পূৰ্ব্বে আহিছিলো আজি তইয়ো সেই পথেদি আহিব লাগিব। সংসাৰৰ অসাৰ মায়া-মোহৰ বান্ধোন তই আজি ত্যাগ কৰি আহিব লাগিব সেই চিৰ সত্যৰ দেশখনলৈ—য'ত কোনো দিনে নাথাকিব মৰণৰ বিজয় ডঙ্কা। তাত নাই সৰু বৰ, ধনী দুখীয়া, ৰোগী-নিৰোগী আদি ভেদ ভাব। পুৰুষ নাৰীৰ খিয়লা-খিয়লি তাত তই নাপাব। ভগবানৰ নামত মানুহে কৰা নিৰ্ম্মম অত্যাচাৰবোৰ তাত তই নাপাব। মৰিশালিখন দেখিলে তোৰ অন্তৰ অজান আশঙ্কাত কঁপি উঠে—আৰু নিজান কবৰ-খানাটো দেখিলে তোৰ মনত এটা অলীক কল্পনা ভাহি নুঠেনে—এই কবৰটোত বা সৌ কবৰটোত এজন শান্ত মানুহ চিৰকাললৈ শুই আছে বুলি। হয়তো সেইজনৰ কাৰণে হাজাৰ লোকৰ খোৱা-শোৱাৰ নাছিল শান্তি! এই কবৰখানা সৌ মৰিশালিত অযুত প্ৰাণীৰ সমাধি হৈছে আৰু হ'ব—ইয়াৰ অন্ত নহ'ব কোনো কালে। জন্ম-মৃত্যুৰ দুৰ্ব্বাৰ গতি নোৱাৰিব ৰোধ কৰিব ক্ষুদ্ৰ মানৱ শক্তিয়ে—মোৰ হাঁহি উঠে জান, বৈজ্ঞানিক সকলে ঈশ্বৰৰ সৃষ্টিক পৰাভূত কৰিবলৈ যোৱা দেখি। বিজ্ঞানৰ চৰম সোপানত আৰোহণ কৰি থকা আমেৰিকাৰ পৰা আইনষ্টাইনক বাৰু নিয়তিয়ে কেনেকৈ চোঁ মাৰি আনিলে ? এনেদৰে বৈজ্ঞানিক সাহিত্যিক কবি কৰ্ম্মী ৰাজনীতিজ্ঞ কাকেই বা নিয়তিয়ে স্পৰ্শ কৰা নাই তই ভাবি চাইছ জানো ? ইহঁতেই আকৌ জোনলৈও

যাবলৈ আশা কৰে কচোন ৰূপলেখা—এইবোৰ হাঁহিব লগা কথা নহয়নে ?

"এতিয়া তইয়ো যাব লাগিব মোৰ লগত। তোক নিবলৈকে মই আহিছো— তই চিনাকি মুখ দেখিলে ভাল পাব বুলি ভাবি মোকে মহাকালে পাচিলে - মই এই কাম কৰিবলৈ বৰ কষ্ট পাইছো ; কিন্তু মহাকালৰ আদেশ অমান্য কৰিলে কি ফল হয় তালৈ গ'লে জানিবি - এতিয়া নহয়।" মোৰ চকুলো পৰিবলৈ ধৰিলে। অকণ অকণ পোনা দুটাৰ কোমল মুখ দুখনলৈ মনত পৰিল—সিহঁতক কোনে চাব ? আৰু মোৰ স্বামী ? বেচেৰা নিজৰ জীৱনৰ ৰাশিকৃত স্নেহ প্ৰেমৰ বিনিময়ত গঢ়িছে নিজৰ অকণমানি সংসাৰখন ! কৰ্ম্মব্যস্ত এটা দিনৰ অন্তত ভাগৰুৱা মন লৈ যেতিয়া তেওঁ ঘৰলৈ ওভতে, হয়তো তেওঁ আশা কৰে এষাৰি মৰমৰ মাত—হায়, তাৰ পৰাও তেওঁ বঞ্চিত হ'ব। মাক-দেউতাকৰ চেনেহৰ পৰা বঞ্চিত তেওঁ লৰা কালিতেই হৈছে। এতিয়া মোৰ চকুলো ৰোধ কৰিবলৈ মই অক্ষম হ'লো।

মোৰ অন্তৰৰ কথা জানি সংহিতাই এনে দৰে হাঁহিলে যে মোৰ পাঁজৰলৈকে স্থবিৰ হৈ যোৱা যেন অনুমান কৰিলো। ইয়াৰ পাছত সংহিতাই ক'লে—

"মোৰো জানো প্ৰিয়তম—ল'ৰা-ছোৱালী—ভাই-ভনী— আই-বোপাই নাছিল ? ঘৰভৰা পৰিয়ালৰ উপচি থকা মৰম নেওচি মইয়ো এদিন আহিব লগা হৈছিল। সংসাৰৰ এই ক্ষণস্থায়ী মোহ ত্যাগ কৰি এদিন আহিবই লাগিব। যিটো

দেহ লৈ তই আজি গৌৰৱ কৰিছ, এদিন সেই দেহ ধূলিৰ লগত মিহলি হৈ যাব। কুকুৰ শিয়ালে এই দেহ ডোখৰ ডোখৰকৈ খাব। মল-মূত্ৰেৰে ভৰা দেহটোলৈ ইমান তোৰ চেনেহ দেখি মই আচৰিত হৈছো। ভগবানৰ আদেশত এদিন তই পৃথিবীলৈ আহিছিলি—আৰু আজি ভগবানৰ আদেশত তই উভতি যাবি। ইয়াত ভয় খাব লগা—বা নতুন কিবা এটা একোৱেই নাই। উঠ, উধাৰ পোহৰ দেখাৰ আগতে আমি ইয়াৰ পৰা যাব লাগিব।"

তাই মোক হাতত ধৰি একৰকম জোৰ কৰি লৈ গ'ল—নিদ্ৰাত নিমগ্ন হৈ থকা—প্ৰাণৰ প্ৰিয়তম—আৰু পোণাকিটাক চাবলৈ তাই মোক অৱকাশ নিদিলে।

আমি খোজকাঢ়ি অহা নাছিলো—শূন্যত উৰিফুৰা চৰাইৰ-দৰে আমি ডাৱৰৰ মাজে মাজে উটি গৈছিলো। বাট-পথ মোৰ সম্পূৰ্ণ অজান। আমাৰ গাত লাগি মেঘবোৰ ছেদেলি ভেদেলি হৈ গৈছে—আকাশত তেতিয়াও কেইটামান তৰা জ্বলিছে। গছ-গছনি একো দেখিবলৈ পোৱা নাই। যিমানে আহিছো সিমানে মোৰ শৰীৰটো পাতল লাগি আহিবলৈ ধৰিলে। এইবাৰ এটা খল্‌খল্‌নি শুনিবলৈ পালো। তাই কলে, এইবাৰ আমি এখন নৈ পাৰ হ'ব লাগিব। নৈখনৰ নাম মৰণ নৈ। মোৰ—আমাৰ মৰা সুঁতিলৈ মনত পৰিল। ইয়াৰ অলপ পাছতে আমি নৈ খনৰ পাৰ পালোহি। পানীৰ বৰণ কলা; ঢৌ একোটা পৰ্ব্বতৰ দৰে উঠে।

দঁতাল হাতীৰ দৰে দুটা নাৱৰীয়াই আমাক এখন নাৱত ভৰাই লৈ নাও এৰি দিলে। দুকুল উপচি পৰা ঢৌৰ মাজত ভৰ নিশা ভৰা নৈ খন পাৰ হওঁতে আমাৰ বেচি সময় নালাগিল। আমি পাৰলৈ আহিলো। আমি আগ বাঢ়িলো। পথবোৰ বৰফেৰে ঢালাই কৰা। পাহাৰবোৰ বৰফৰ – বন-জঙ্গল আছে যদিও—সজীৱতাৰ আভাস তাত নাই। পাতবোৰ—ফুলবোৰ চিত্ৰশালাতে সজাই থোৱা কৃত্ৰিম ফুল-পাতবোৰৰ দৰে স্পন্দন-হীন। মই বৰ আচৰিত হ'লো। সুধিবলৈ সাহস নহ'ল। আগ বাঢ়িলো আৰু এইবাৰ দেখিলো আমাৰ কামাখ্যা দেবীৰ মন্দিৰলৈ উঠা পথটোৰ দৰে এটা পথ ওপৰলৈ গৈছে।

জখলাবোৰৰ প্ৰথম ঢাপত এজুম মানুহ দেখিলো। সিহঁতে কিহবাৰ বিচাৰৰ কাৰণে প্ৰতীক্ষা কৰিছে। সিহঁতৰ শৰীৰৰ পৰা তেতিয়াও কেচা-ঘাঁহৰ গোন্ধ যোৱা নাই। সংহিতাই ক'লে— সিহঁত বোলে এইমাত্ৰ আহি পাইছে সেই কাৰণেই সিহঁতৰ গাৰ পৰা মাটিৰ গোন্ধ যোৱা নাই।

ক্ৰমান্বয়ে শীতৰ প্ৰকোপ বাঢ়ি আহিবলৈ ধৰিলে—মোৰ হৃদপিণ্ড জঠৰ হৈ গৈছে যেন লাগিল। সংহিতাক অবলম্বন কৰি মই আগ বাঢ়িলো লাহে লাহে ওপৰলৈ। কিছুদূৰ আহি আৰু এচাম ল'ৰা-ছোৱালী আৰু নাৰী দেখিলো—বদন সিহঁতৰ বিষন্ন। সিহঁতৰ শৰীৰৰ পৰা কোনো ঘ্ৰাণ অহা আছিল ; কিন্তু সংসাৰৰ প্ৰতি সিহঁতৰ অনুৰাগ এতিয়াও আছে। মোৰ দৰেই সিহঁতৰ মনৰ অৱস্থা ভাবি সিহঁতলৈ মোৰ দুখ লাগিল। কিমানে

নিজৰ সন্তানক বাটৰ ভিকহু কৰি এৰি থৈ আহিব লগা হৈছে !

আৰু আগবাঢ়িলো। এইবাৰ নাকত ধূপ ধূনাৰ গোন্ধ লাগিবলৈ ধৰিলে। ওপৰৰ পৰা শঙ্খ-ঘণ্টাৰ ধ্বনি ভাহি আহিল। মনটো অলপ ভাল লাগিল।

এইবাৰ আহি পালো এজুম ল'ৰা-ছোৱালী। সংহিতাই ক'লে বোলে সংসাৰত থাকোঁতে নিচেই শিশু অৱস্থাতে ইহঁতলৈ মহাকালৰ আহ্বান আহিল। ইহঁতৰ অন্তৰত পাপ প্ৰবেশ কৰাৰ পূৰ্ব্বেই ইহঁত ইয়ালৈ আহিল। সেই কাৰণে সিহঁতে চিৰ সেউজ বেশত অনন্তৰ বুকুত অন্তহীন ধেমালি কৰিছে। ইহঁতৰ অন্তৰত অকণমান দুৰ্ব্বলতা আছে—এই কণো যেতিয়া লয় হ'ব তেতিয়া ইহঁতে ভগবানৰ শ্ৰীচৰণামৃত স্পৰ্শ কৰিবলৈ সক্ষম হ'ব। সিহঁতক দেখি মোৰ পোণাহঁতলৈ মনত পৰিল। বেচেৰাহঁত এতিয়াও চাগে টোপনিত নিমগ্ন। সিহঁতক এৰি আহি এটা সুৰঙ্গ পালোহি। সংহিতাই মোক হাতত ধৰি এই অন্ধকাৰ সুৰঙ্গটো আগ বাঢ়িবলৈ ধৰিলে। এই পথেদি পাৰ হৈ দেখিলো ধূসৰভৰা কুৱলী। এই কুৱলীৰ মাজেদি অতিক্ৰম কৰোঁতে একোবাৰ প্ৰাণ উতলা কৰা সৌৰভ নাকত লাগিবলৈ ধৰিলে। সৌৰভৰ পম খেদি দেখিলো অদূৰত এখন হাচনাহানাৰ ফুল-বাগিছা। ইয়াৰ পাচৰে পৰা আৰম্ভ হৈছে জোনাকৰ স্নিগ্ধ পোহৰ পৰা মনোৰম দেশখন।

এই জোনাকী ৰাজ্যখনৰ প্ৰান্তৰত দেখিলো এটা মঠ।

ইয়াত এখন আশ্রমো দেখা পালো। এই মঠত চিনাকী-অচিনাকী বহু লোকৰ সমাবেশ দেখি আচৰিত মানিছিলো।

সেই বকুল জোপাৰ তলত অধ্যয়নত নিমগ্ন হৈ থকা বহল কপালখন আৰু চকুত চচ্‌মা জুবিবে সৈতে আমাৰ ডাঃ বাণীকান্ত নহয়নে? তেওঁৰ বাৰু এই অধ্যয়নৰ পৰিসমাপ্তি হ'ব কেতিয়া?

আম জোপাৰ তলত সোৱাচোন আমাৰ লক্ষ্মীনাথ – হাতত-চোন বেজবৰুৱাৰ কাকতৰ টোপোলা। তেওঁক এতিয়াও দেখিলে ৰঙ্গিয়াল লোক যেন লাগে।

হাতত লাখুটি লৈ সোৱা আমাৰ জ্ঞানদাভিৰাম। তেখেতে এতিয়া প্ৰাতঃভ্ৰমণ আৰু সান্ধ্যভ্ৰমণ কৰা দেখি মই বিচূৰ্ত্তি খালো। এৰা ভালেটিহে জ্ঞানীলোকে কয় – বোলে 'অভ্যাসৰ নব কৰ্ণপথে কৰে শৰ।' জ্যোতিপ্ৰসাদক দেখিলো—হাতত এসৰাজ এটা লৈ ৰেপনি দিব লাগিছে—সেই তলসৰা শেৱালি জুপিৰ তলত।

নিৰ্ম্মম মৃত্যুৰেও তেনেহলে জ্যোতিপ্ৰসাদৰ অন্তৰৰ পৰা সঙ্গীতৰ প্ৰাচুৰ্য্য কাঢ়ি নিব পৰা নাই? আমাৰ গোপীনাথ গ'ল কলৈ? গৈ গৈ দেখিলো তেওঁ মনমাৰি বহি থকা। তেওঁ মনমাৰি বহি নাথাকি ঢেকঢেকাই হাঁহিবনে? অসমীয়া আজি ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত! কোন সতেৰে তেওঁ সহিব বাৰু এই অবিচাৰ!

মহাত্মা গান্ধী—মালব্যজী—সৰোজিনী নাইডু—চৰ্দ্দাৰ পেটেল—ৰবীন্দ্ৰনাথ ঠাকুৰ—এই সকল ক'লৈ গ'ল—সংহিতাক

Please handle the book carefully.

সুধিলো। সংহিতাই ক'লে স্বৰ্গ হলেও একে ঠাইতে সকলো দেশৰ মানুহক ৰাখিবৰ নিয়ম নাই। বেলেগ বেলেগ প্ৰদেশৰ মানুহ বেলেগ বেলেগ মঠত ৰখা হয়। নহলে বোলে বৰ হুবিয়াল হয়। মই ভাবিলো—ভিন্ন ভিন্ন মঠত ৰাখিলেওতো স্বৰ্গ ই হ'ল, তেনেহলে পৃথিবীত স্ব-স্ব সভ্যতা ভাষা কৃষ্টি বজায় ৰাখিবলৈ কোঢাল কৰাটো কি বৰ দোষৰ কথা হল? আমাৰ তেনে কৰিলে একেবাৰে······হুলস্থুল। এৰা স্বৰ্গ যি স্বৰ্গই।

ইয়াৰ পাচত আৰু আগ বাঢ়িলো। এইবাৰ দেখিলো এটা প্ৰজ্বলিত অগ্নিৰ পাহাৰ। ইয়াত জোনাকৰ পোহৰ নাই। ইয়াৰ সলনি জুইৰ ৰঙা পোহৰত দশোদিশ উদ্ভাসিত হৈ উঠিছে। সংহিতাই ক'লে, ভাস্কৰৰ পৰা যিদিনা পৃথিবীৰ সৃষ্টি হৈছিল ঠিক সেইদিনাই এই জুইকুৰা জ্বলিছে—এই জুই জ্বলিছে অন্তহীন কালৰ পৰা—জ্বলিব অন্তহীন কাললৈ। জুইৰ সেন্দুৰীয়া পথ অতিক্ৰম কৰি এইবাৰ দেখা পালো অন্ধকাৰত জ্বলি থকা এগছি বন্তি।

সেই বন্তি জ্বলি থকা মন্দিৰটোৱেই হৈছে মহাকালৰ মন্দিৰ। মোৰ হাত-ভৰিত কঁপনি উঠিবলৈ ধৰিলে। আগ বাঢ়িবৰ শক্তি মোৰ নোহোৱা হ'ল। সংহিতাই মোক ধৰি ধৰি মন্দিৰৰ প্ৰাঙ্গণলৈ আনিলে। অদূৰৰ পৰা দেখিলো অভাবনীয় জাক-জমকতাৰে বহি আছে জিকমিকিয়া সিংহাসনত মহাকাল। কোনোবাই চোৱৰ দিছে—কোনোবাই নৈবেদ্য যাচিছে—কোনোবাই ধূপ জ্বলাইছে—কোনোবাই দীপ জ্বলাইছে

Please handle the book carefully

—কোনোবা পূজাৰীয়ে কৰিছে মন্ত্রোচ্চাৰণ। কোনোবাই বলিৰ দা ধৰাইছে। সন্মুখত এশাৰী ডেকা-গাভৰু বুঢ়া-বুঢ়ী ল'ৰা ছোৱালী নতশিৰে থিয় হৈ থকা দেখা পালো। মোৰ গা চম্‌চমাবলৈ ধৰিলে।

মোক দেখি মহাকালে হাত বাউল দি তেওঁৰ ওচৰলৈ মাতিলে। মই ইতস্ততঃ কৰিছিলো। সংহিতাই মোক ঠেলা-মাৰি দি ক'লে, "প্রণাম কৰ ৰূপলেখা, সেয়ে দেৱ মহাকাল"—। ইয়াৰ পাছত সংহিতাক দেখা নেপালো।

প্রণাম কৰিবলৈ যাওঁতে দেখো মোৰ স্বামীয়ে মোক গাত ধৰি লাহেকৈ শুৱাই দিছে। মোৰ আইয়ে মোৰ শিৰত জল-পত্তি দিছে—চকুত অস্পষ্ট চাৱনি লৈ দেখো প্রত্যেকেই মোৰ কাৰণে উদ্বিগ্ন হৈছে।

যেতিয়া সুস্থ হওঁ শুনিবলৈ পালো—মই বোলে সেই নিশা একেবাৰে অজ্ঞান হৈছিলো।

THE NABIN ... HALL & LIBRARY
16 JUL 1959
GAUHATI